# বাণিজ্য দৰ্পণ



১৯৯৪-৯৫

সম্পাদক:
শ্ৰীকিৰণ চেতিয়া

* প্ৰকাশক ঃ ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ
ছাত্ৰ একতা সভা, ১৯৯৪ - ৯৫

* বেটুপাতৰ ভাৱাৰ্থ ঃ দুৰ্যোগৰ কলীয়া ডাৱৰৰ মাজেদি মুক্তিৰ পোহৰৰ বাটেৰে পৰাধীনতা আৰু দাসত্বৰ বন্ধন ছিঙি আগুৱাই আহিছে ন - পুৰুষ, আইৰ ওপৰত হোৱা অত্যাচাৰ, উৎপীড়ণক বোধ কৰিবলৈ।

* বেটুপাতৰ শিল্পী ঃ শ্ৰীসিদ্ধাৰ্থ দত্ত
কুমাৰণীছিগা। ডিব্ৰুগড়

* মুদ্ৰক ঃ প্ৰিণ্টৱেল
লাচিত নগৰ
ডিব্ৰুগড় — ১

## কৃতজ্ঞতা ঃ

কানৈ বাণিজ্য মহাবিদ্যালয়ৰ মুখপত্ৰ "বাণিজ্য দৰ্পণ" প্ৰকাশৰ বাবে — সদস্য সচিব, ৰাজ্যিক ছাত্ৰ আৰু যুব কল্যাণ সমিতি, অসম চৰকাৰ, নেহৰু ষ্টেডিয়াম, গুৱাহাটীৰ তৰফৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী শ্ৰী হিতেশ্বৰ শইকীয়া দেৱে ১৫,০০০ টকাৰ আৰ্থিক অনুদান আগবঢ়াই আমাক উপকৃত কৰাৰ বাবে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ আলোচনী সম্পাদকে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। — ॥

— সম্পাদক

## এই সংখ্যাত পাব


- সম্পাদকীয়
- প্ৰবন্ধ
  - দূৰসংযোগৰ উদাৰীকৰণ : কিছু প্ৰাসঙ্গিক চিন্তা : অধ্যাপক ভূপেশ ভাগৱতী
  - ৰেগিং : এক জলন্ত অগ্নিপিণ্ড : ৰুমী বৰা
  - যৌন শিক্ষাৰ প্ৰয়োজনীয়তা : শৈলেন্দ্ৰ কিশোৰ সন্দিকৈ
  - আলোকপাত : N. C. C. ত মোৰ অভিজ্ঞতা : তৰুণ সন্দিকৈ
- গল্প
  - অব্যক্ত বেদনা : মাধৱ শইকীয়া (চুতীয়া)
- প্ৰবন্ধ
  - নলিনীবালা দেৱী আৰু মহাদেৱী ভাৰ্মাৰ গীতিকাব্যাত্মকতা : ড° সত্যদেৱ প্ৰসাদ
  - আৰু কাব্য শিল্প
  - বিজ্ঞানে আমাক কলৈ লৈ গৈছে : ক্ষীৰানন্দ চেতীয়া
- কবিতা
  - অসমী মোৰ মাতৃভূমি : অধ্যাপক এচ. এল. আগৰৱ
  - অপেক্ষা : ৰাজেশ কেশেৰা
  - জীৱন : হেমন্ত কুমাৰ গগৈ
  - শাসনৰ বতৰা : সঞ্জয় কুমাৰ শইকীয়া
  - মহাসতী জয়মতী : ছবি দত্ত
- ENGLISH SECTION.
  - A Bird's eye view of Tea industry of Asaam. : S. N. Mahanta
  - Commerce Education – An analysis of some aspects. : Pradeep Kr. Sahu
  - The origin of Karate : Prayanjit Baruah
  - Work is Life : Rajesh Kaserah
  - Employment and social Security in Tea Gardens. : Raghu Nath Barbara
  - Oh, Balance Sheets : Rasheedoz Zamal
  - Status of Women in Emerging India : Nipu Ranjan Dutta
  - Reminiscences of an old associate of D. H. S. K. Commerce College : P. C. Jain
  - Life's Like That : P. C. Jain
  - Computer in Modern Science : Hemendra Kr. Gogoi
  - How Strange : Mukesh Kumar Agarwal
  - Quest : Sidhartha S. Baruah
  - Selected Quotations : Titu Seal
  - Let us Step Out and Help : Nipu Ranjan Dutta
  - True Friends : Rajib Gogoi
- প্ৰতিবেদন

# -ঃ অশ্রু অঞ্জলি ঃ-

" নিত্যানন্দ চুতীয়া দেৱৰ পৱিত্ৰ স্মৃতিত ঃ-

" জন্মিলে মৰিব লাগে
ৰীতি এই ধৰা বন্ধা
ত্ৰকেৰাহে চলি আছে
সৃষ্টিৰ পাতনিৰে পৰা "



এৰি অহা বছৰটোত যি আমাৰ মাজৰ পৰা চিৰদিনলৈ বিদায় লৈ গলগৈ — সেই
ন ব্যক্তিক আমি কেতিয়াও পাহৰিব নোৱাৰো ★ ১৯৯০ চনৰ ১৭ ডিচেম্বৰ তাৰিখে নিষ্ঠুৰ
তিয়ে আমাৰ মাজৰ পৰা কাঢ়ি নিলে শিক্ষাগুৰু, প্ৰৱক্তা — শ্ৰী নিত্যানন্দ চুতীয়াদেৱক ★
সেই শিক্ষাগুৰু শ্ৰী চুতীয়াদেৱৰ অকাল আৰু আকস্মিক বিয়োগত আমি এক অমূল্য সম্পদ
হেৰালো ★ তেখেতৰ পৱিত্ৰ স্মৃতিত আমি অশ্ৰু অঞ্জলি যাচিলো ★ তেখেতৰ বিদেহী
াই চিৰশান্তি লাভ কৰক ★

কানৈ বাণিজ্য মহাবিদ্যালয়ৰ
ছাত্ৰ-একতা সভাৰ হৈ —
শ্ৰী ধৈৰ্য্য হাজৰিকা ( সম্পাদক )
= ডিব্ৰুগড় =

# সম্পাদকীয়

জয়জয়তে মই যিসকল বীৰ বীৰঙ্গনাই নিজৰ দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ সৈ নিজৰ জীৱনক হাঁহি মুখেৰে মৃত্যু মুখলৈ আগবঢ়াই দিছে সেইসকল বীৰ বীৰংগনালৈ মোৰ প্ৰথমেই হিয়া ভৰা মৰম ও আন্তৰিক অশ্ৰু - অঞ্জলী যাচিছোঁ ॥

সদৌ অসমৰ মহাবিদ্যালয় বিলাকৰ ভিতৰত কানৈ বাণিজ্য মহাবিদ্যালয়খনো এখন অতি জাকত জিলিকা মহাবিদ্যালয় যিখন মহাবিদ্যালয়ত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা আহি ছাত্ৰ ছাত্ৰী সকলে শিক্ষা গ্ৰহণ কৰি তেওঁলোকৰ ভৱিষ্যত জীৱনৰ চিৰ উজ্জ্বল কামনা কৰিছেহি সেই সকল ছাত্ৰ - ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মোক সেইখন মহাবিদ্যালয়ত ১৯৯৪ - ৯৫ চনৰ বাৰ্ষিক ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক পদত নিৰ্বাচিত কৰে আৰু মই কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

প্ৰসঙ্গ আলোচনী ঃ মই ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ গধুৰ দায়িত্ব বহন কৰিবলৈ পাই নিজকে আচৰিত হৈছো। এখন মহাবিদ্যালয়ৰ গুণা গুণ পৰিচয় পাই বাৰ্ষিক আলোচনীখনৰ জৰিয়তে। বাৰ্ষিক আলোচনীখনৰ জৰিয়তে বহুতো নবীন লেখক - লেখিকাই নিজৰ প্ৰতিভা বিকাশ কৰিবলৈও সুবিধা পায়।

এখন মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন সুন্দৰকৈ সজাই তুলিবলৈ হ'লে বা প্ৰকাশ কৰিবলৈ হ'লে সকলোৰেই সহযোগিতা অতি প্ৰয়োজন হৈ পৰে। বাৰ্ষিক আলোচনীখনৰ প্ৰকাশৰ দায়িত্ব কেৱল সম্পাদকৰ ওপৰতেই নিৰ্ভৰ নকৰে। আলোচনীখন সুন্দৰকৈ প্ৰকাশ কৰিবলৈ হ'লে আমাক বহুতো যাবতীয় গল্প, প্ৰবন্ধ, কবিতা আদিৰ লগতে বহু সংখ্যক টকা পইচাৰ প্ৰয়োজন হৈ পৰে। আমাৰ মহাবিদ্যালয়ৰ এনে - বিলাক অভাৱৰ বাবেই মই ভৰা মতে আলোচনীখন নিৰ্দিষ্ট সময়ত বা সুন্দৰকৈ প্ৰকাশ কৰি উলিওৱাত অসুবিধা হয়।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী সকলৰ অতি দুখৰ বিষয় যে ছাত্ৰ - ছাত্ৰীৰ সকলে কেৱল বাণিজ্য শিক্ষাৰ ভিতৰতেই নিজকে আবদ্ধ কৰি ৰাখে, কিন্তু সাহিত্য বা আন কোনো বিষয়তে সৰ্তক দৃষ্টি নাৰাখে। যিহেতু মই আজি বহু দিন অপেক্ষা কৰাৰো পাছতো যিবোৰ গল্প, প্ৰবন্ধ কবিতা আদি পাইছিলো তাৰে অধিকাংশই আলোচনীত প্ৰকাশৰ বাবে অনুপযুক্ত বুলি বিবেচিত হ'ল। সেয়েহে মই আমাৰ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী সকলক কওঁ যে বৰ্তমান প্ৰগতিশীল সমাজত ছাত্ৰ সমাজৰ জ্ঞান পিপাসু আৰু আত্মসন্ধানী হোৱাৰ একান্ত প্ৰয়োজন হৈ পৰিছে! ছাত্ৰ - ছাত্ৰী সকলৰ শিক্ষা জীৱনৰ গুৰুত্বপূৰ্ণ সন্ধিক্ষণবোৰত অভিজ্ঞ লোক নাইবা আলোচনীখনৰ জৰিয়তে প্ৰচলিত মত - বৰ বিভিন্ন পাঠ্যক্ৰম সমূহৰ সম্ভেদ পাবলৈ যত্ন কৰিব লাগে। কেৱল শ্ৰেণীৰ পাঠ্যপুথিৰ ভিতৰতে অধ্যয়ন সীমাবদ্ধ নাৰাখি সাহিত্য চৰ্চা ক্ষেত্ৰটো দৃষ্টি ৰখাতো অতি প্ৰয়োজন।

কাৰ্যকালত হোৱা কাম বিলাক ঃ —

১৯৯৪ - ৯৫ চনৰ ছাত্ৰৰ একতা সভাৰ কাৰ্যকালৰ দিনতে কলেজ বিল্ডিং (Building) লৈ উঠা এখন নতুন চিৰি নিৰ্মান কৰা হয়। আৰু মেজৰ (Major) ক্লাচৰ বাবে দুটা নতুন কম নিৰ্ম্মানৰ কাৰ্য্য আৰম্ভ কৰা হয়। লগতে মহাবিদ্যা-

কয়ৰ পাঠদান বিলাকো নিয়মীয়া ভাবে পৰিচালিত হয়॥

**বৰ্তমান শিক্ষাই আমাক কি দিছে ?**

শিক্ষাই হৈছে আমাৰ জীৱনৰ এক অন্তহীন প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া এনে এক বিষয় যি পাৰস্পৰিক সহায় সহযো
তাৰ ওপৰত সম্পূৰ্ণ নিভৰশীল। শিক্ষাই যিকোনো মানুহৰ কৰ্মময় জীৱনত সহজে আত্ম-প্ৰতিষ্ঠা কৰাই স্বাৱলম্বী
অৰ্জনৰ সুযোগ গ্ৰহণ কৰে।

বৰ্তমান শিক্ষা ব্যৱস্থাৰ মাজেদিয়েই অসমৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি মহাবিদ্যালয়ৰ স্নাত
ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিশ্ববিদ্যালয় কেইখনৰ উচ্চ শি
গ্ৰহণ কৰিবলৈও সক্ষম হৈছে আৰু অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই এই শিক্ষাৰ পৰা বঞ্চিত। সেয়েহে অধিকাংশ ছা
ছাত্ৰীয়ে স্নাতক ডিগ্ৰী লাভ কৰিও ভৱিষ্যতৰ বাবে অনিশ্চিত ভাৱে দুঃচিন্তাৰ গৰাহৰ দুৱাৰ দলিত থিয়হৈ থাকিব ল
হৈছে। যিহেতু ইয়াৰ প্ৰধান কাৰণ হৈছে উপযুক্ত শিক্ষা নেতৃত্বৰ অভাৱ। উপযুক্ত নেতৃত্ব শিক্ষা অভাৱৰ ফলতে
অসমৰ ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা মাধ্যমবোৰ বিচাৰি পোৱাত অসুবিধা হয়। অসমৰ বাহিৰৰ প্ৰায় বে
ৰাজ্যতেই আত্ম সংস্থাপনৰ বাবে বিভিন্ন বিষয়ৰ উপযুক্ত শিক্ষা ব্যৱস্থা থকা দেখা যায়। এই শিক্ষাৰ বিভিন্ন বি
সমূহৰ ওপৰত জ্ঞান থকা ছাত্ৰ ছাত্ৰীৰ সংখ্যাও তেনেই তাকৰ। সেই বাবেই অধিকাংশ ছাত্ৰ ছাত্ৰীয়েই স্নাত
ডিগ্ৰী লাভ কৰাৰ পাছতেই শিক্ষা সামৰণি মাৰিব লগীয়া হয়। যাৰ ফলত দেশখনত শিক্ষিত নিবনুৱা সমস্যা
দেখা দিছে। ইয়াৰ কাৰণ হ'ল বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাই কৰ্মময় জীৱনৰ উপযুক্ত বাতাবৰণ গঢ়ি তুলিব প
নাই। বৰ্তমান বিজ্ঞানৰ যুগত উপযুক্ত শিক্ষাৰ অবিহনে সমাজত নিজকে প্ৰতিষ্ঠিত কৰাবলৈ বৰ জটিল হৈ পৰিছে
সেইবাবে আজি অসমক এক শুদ্ধ শৈক্ষিক নেতৃত্বৰ অতি প্ৰয়োজন হৈ পৰিছে। অসমৰ ছাত্ৰ-ছাত্ৰী সকলৰ এ
প্ৰয়োজনীয়তা খিনি পূৰণ কৰিবলৈ হলে সংশ্লিষ্ট সকলোৱে মানৱীয় দৃষ্টি কোণৰ পৰা চাই আগবাঢ়ি আহি এক সু
শৈক্ষিক বাতাৱৰণ গঢ়ি তোলাত সহায় সহযোগ আগবঢ়াব লাগিব।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আলোচনীখন প্ৰকাশৰ কাৰণে যিসকলে দিহাপৰামৰ্শ আৰু যাৱতীয় সহায় সহযোগীতা আগবঢ়া
আৰু 'বাণিজ্য দৰ্পণ'ৰ ৩২ তম সংখ্যাটিয়ে পোহৰৰ মুখ দেখিবলৈ সক্ষম হ'ল তেওঁলোক ক্ৰমে, অধ্যক্ষ শ্ৰীযুত মনোমোহ
দাস, উপাধ্যক্ষ শ্ৰীযুত গোপাল শৰ্মা, অধ্যাপক শ্ৰীযুত ধনশ্যাম অধিকাৰী, ভূপেশ ভাগৱতী, অধ্যাপিকা শ্ৰী যু
চৰিতা গোস্বামী, কল্পনা খাউণ্ড, কৃষ্ণ হাতীবৰুৱা বাইদেউ আৰু কলেজ ছাত্ৰ সন্থাৰ বিষয় ববীয়া সকলৰ উপৰিও ছা
বন্ধু শ্ৰী দিগন্ত শইকীয়া, নিপুৰঞ্জন দত্ত, চুৰেণ চুতীয়া, থুনুক মেছ, সঞ্জীৱ কোঁৱৰ, বিনন্দ সোনোৱাল, সুশিল বৰু
দেৱজিৎ, মহেন্দ্ৰ আৰু ৰাজীৱ গগৈ, ছাত্ৰী শ্ৰীমতী ৰুনী বড়া শ্ৰীমতী সবিতা পাল এওঁলোক সকলোৱে ওচৰত ম
চিৰ-কৃতজ্ঞ। আৰু লগতে বেটুপাতৰ অংকণ শিল্পী শ্ৰী সিদ্ধাৰ্থ দত্ত লৈ মোৰ হিয়া ভৰা মৰম যাছিলো। 'প্ৰিণ্টৱেল
স্বত্বাধিকাৰ শ্ৰীযুত ৰাণা বৰুৱা লগতে ছপা শালৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ সীমিত জ্ঞানেৰে এই আলোচনীখনৰ সম্পাদনাত নানান ত্ৰুটি থাকি যাব পাৰে, তাৰ বাবে সকলো
ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। যি সকলৰ লেখা সমূহ প্ৰকাশৰ বাবে উপযুক্ত বিবেচিত নহল তেখেত সকল
প্ৰতি মোৰ এটাই অনুৰোধ তেখেত সকলে আক্ষেপ নকৰি ধৈৰ্য্যৰে শেষলৈকে সাহিত্য চৰ্চা অক্ষুন্ন ৰাখে যেন। শেষ
'বাণিজ্য দৰ্পণ'ৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় সামৰণি মাৰিলো।

জয়তু কানৈ বাণিজ্য মহাবিদ্যালয়

শ্ৰী কিৰণ চেতিয়া

ঃ সম্পাদক ঃ — ১৯৯৪ - ৯৫

## This Magazine is dedicated to our Ex-Principal



**LATE DR. N. K. BASU,** MA, BL. D Phil.

## প্ৰবন্ধ

# দূৰসংযোগৰ উদাৰীকৰণ : কিছু প্ৰাসঙ্গিক চিন্তা :

— অধ্যাপক ভূপেশ ভাগৱতী
বাণিজ্য বিভাগ

ভৌগোলিক পৰিসীমাৰ বিশালতা, জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণৰ গতি আৰু সৰ্বোপৰি আৰ্থ সামাজিক প্ৰগতিয়ে ভাৰতবৰ্ষত টেলিফ'নৰ চাহিদা আৰু তাৎপৰ্য্য ক্ৰমাগত বৃদ্ধি কৰিছে। ১৯৪৭ চনত ভাৰতত টেলিফ'ন লাইনৰ সংখ্যা আছিল মাত্ৰ ত্ৰিশহেজাৰ. তাৰ বিপৰীতে বৰ্ত্তমান আমাৰ দেশত টেলিফ'ন লাইনৰ সংখ্যা আশী লাখৰ অধিক। ১৬০০ৰ অধিক কেন্দ্ৰৰ যোগেদি দেশৰ সকলো জিলাৰ সদৰ আৰু আধাতকৈও বেছি মহকুমাৰ সদৰ ঠাইক এচ, টি, ডি সুবিধা প্ৰদান কৰা হৈছে। ভাৰতৰ নিজস্ব উপগ্ৰহৰ জড়িয়তে এশ সত্তৰটা ভূ কেন্দ্ৰৰ সহায়ত আমাৰ দেশৰ দূৰসংযোগ ব্যৱস্থা বৰ্ত্তমান চলি আছে। বিশ্বৰ অন্য নহু দেশৰ দৰে ভাৰতবৰ্ষতো চৰকাৰী খণ্ডৰ ডাক তাৰ বিভাগে টেলিফ'ন সেৱা বেছি-হৰ মান আগলৈকে বাইকক প্ৰদান কৰি আছিছিল। বহুৰ মূলধনৰ বিনিয়োগ, দুনিয়াদ সময়ৰ সমস্যা, টেলিফ'ন সেৱা প্ৰদানৰ চৰকাৰী দায়বদ্ধতা আৰু মিশ্ৰ অৰ্থনীতিৰ অন্তৰ্গত সমাজবাদী দৰ্শন এইবোৰ কাৰণ-তেই দূৰসংযোগ চৰকাৰৰ একচেটীয়া ব্যৱসায় হৈ আছিল। সময়ৰ লগে লগে টেলিফ'নৰ বৰ্দ্ধিত চাহিদা চৰকাৰে পূৰণ কৰিব পৰা নাছিল। অপেক্ষা তালিকা (ৱেইটিং লিষ্ট) ত থকা পচিশ লাখ গ্ৰাহকৰ সংখ্যাই টেলিফ'নৰ যোগান আৰু চাহিদাৰ ভাৰসাম্যহীনতা প্ৰমাণ কৰে। আশীৰ দশকৰ পৰাই এই উদ্যোগত কাৰিকৰী উন্নতি আৰু বিৱৰ্ত্তনৰ সূচনা হয় যদিও আশীৰ দশকতহে বিকাশৰ গতি খৰতকীয়া হয়। সেৱা খণ্ডৰ বিকাশ নতুন প্ৰযুক্তিৰ আগমন আৰু প্ৰতি-যোগিতামূলক দূৰসংযোগ নীতিয়েই এই বিৱৰ্ত্তনৰ প্ৰধান কাৰক। জাতীয় অৰ্থনীতিত সেৱাখণ্ডৰ গুৰুত্ব বৃদ্ধি পোৱাৰ লগে লগে তথ্য সৰবৰাহৰ গুৰুত্বও বাঢ়িছে। ষ্টক এক্সেঞ্জ, বীমা, বেংক, পৰিবহন সেৱা ইত্যাদিত তথ্যপাতিৰ যোগান অবিহনে ধাৰাবাহিক আৰু উন্নত মানৰ ব্যৱসায় পৰিচালনা অসম্ভৱ। চৰ-কাৰী খণ্ডৰ টেলিফ'ন সেৱা উপযুক্ত নোহোৱাৰ পৰি-প্ৰেক্ষিতত এনেকুৱা কিছুমান বিশেষ গ্ৰাহকে ইতিমধ্যে নিজস্ব দূৰসংযোগ ব্যৱস্থা গঢ়ি তুলিছে। চৰকাৰী দূৰসংযোগ নীতি উদাৰীকৰণৰ পিছত এই ঘটনাৰ যথেষ্ট প্ৰভাৱ আছে।

দূৰসংযোগ পুণৰগঠনৰ প্ৰথম প্ৰচেষ্টা হিচাপে ১৯৮৫ চনত ডাক তাৰ বিভাগৰ পৰা আঁতৰাই আনি নিজস্ব বিভাগ হিচাপে স্বীকৃতি দিয়া হয়। তাৰ পিছত প্ৰায় এটা দশক ভাৰতত অৰ্থনীতিৰ দ্ৰুত অৱনতি আৰু ৰাজনৈতিক অস্থিৰতাৰ বাবেই কোনো উল্লেখ-যোগ্য প্ৰচেষ্টা এই উদ্যোগত দেখা নাযায়। ১৯৯৪ চনত জাতীয় দূৰসংযোগ নীতি ঘোষণা কৰা হয় আৰু প্ৰথম বাৰৰ বাবে এই উদ্যোগত ব্যক্তিগত খণ্ডক অংশ-গ্ৰহণৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ চৰকাৰী সিদ্ধান্ত গৃহীত হয়। দৰাচলতে এই উদ্যোগত উদাৰীকৰণ চৰকাৰৰ ইচ্ছাত নহৈ বাস্তৱৰ হেচাত হোৱা বুলি কোৱাহে উচিত হব। প্ৰতি বৰ্গ কিলোমিটাৰত তেতিয়া টেলি-ফ'নৰ সংখ্যা আছিল ২'৪টা প্ৰতি এশ জনসংখ্যাৰ ০.১ জনেহে এই সুবিধা ভোগ কৰিছিল। মুঠ জন-সংখ্যাৰ কমেও ১% ভাগ মানুহে যদি টেলিফ'নৰ সুবিধা নাপায় তেন্তে তেনে দেশক অনুন্নত দেশ বুলি গণ্য কৰা হয়। সীমিত বাজেট সাহায্যৰ দ্বাৰা চাহিদা অনুযায়ী সেৱা প্ৰদানৰ বাবে প্ৰয়োজনীয় প্ৰসাৰ কাৰ্যসূচী (এক্সপানচন প্ৰগ্ৰেম) ৰ বাস্তৱায়নৰ বাবে যি পৰিমাণৰ বিনিয়োগৰ প্ৰয়োজন সেয়া চৰকাৰে কেতিয়াও কৰিব নোৱাৰিলেহেতেন। ক্ৰয় দূৰত্বৰ টেলিফ'নৰ গ্ৰাহক সকলৰ এটা ডাঙৰ সংখ্যাই অৰ্থ-নৈতিক দৃষ্টিত এক সমস্যাৰ ৰূপ লৈছিল। এটা নতুন টেলিফ'নৰ সংযোগ দিবলৈ ভাৰতত প্ৰায় ত্ৰিশহেজাৰ

টকাৰ মূলধনী ব্যয় হয়। ইয়াৰ বিপৰীতে ১৯৯৪ চনত ফোনৰ পৰা পোৱা গড় ৰাজহ আছিল দহ হেজাৰ আঠ শ টকা। মুঠ গ্ৰাহকৰ প্ৰায় ৭৫% ভাগৰ পৰা পোৱা গড় ৰাজহ আঠ হেজাৰ টকাতকৈও কম। বহুতো গ্ৰাহকে সময়মতে বিলৰ টকা আদায় নিদিয়ে। বহুতো গ্ৰাহকৰ বাৰ্ষিক ৰাজহৰ পৰিমাণ ইমান কম যে তেওঁলোকক সংযোগ প্ৰদানত হোৱা মূলধনী ব্যয়ৰ সুতখিনিও সেই ৰাজহৰ পৰা দিব পৰা নাযায়। সেয়েহে দূৰসংযোগৰ উদাৰীকৰণ চৰকাৰে এক অনিবাৰ্য্য জঞ্জাল (নেচেচাৰী ইভিল) বুলিয়েই গ্ৰহণ কৰিলে।

পুনৰ গঠনৰ পদক্ষেপ হিচাপে দূৰসংযোগ ব্যৱস্থাক বৰ্ত্তমান সমগ্ৰ দেশত ২১ টা চক্ৰত ভাগ কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ বাহিৰে বাকী ৰাজ্যসমূহৰ প্ৰত্যেকতে একোটা চক্ৰ স্থাপন কৰা হৈছে। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল এটা চক্ৰৰ অন্তৰ্গত। ব্যৱসায়িক গুৰুত্বৰ ওপৰত ভিত্তি কৰি এই চক্ৰ সমূহক এ, বি আৰু চি এই তিনিটা শ্ৰেণীত ভাগ কৰা হৈছে। প্ৰতি চক্ৰতে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান সমূহে পোন্ধৰ বছৰৰ বাবে চৰকাৰী অনুজ্ঞাপত্ৰ লৈ ব্যৱসায় চলাব পাৰিব। যিহেতু ইযানদিনে ভাৰতত কোনো ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে এই সেৱা প্ৰদানৰ অভিজ্ঞতা অৰ্জন কৰা নাই সেয়েহে এনে প্ৰতিষ্ঠানে কমেও পাচ লাখ টেলিফন লাইনৰ সেৱা প্ৰদানৰ অভিজ্ঞতা থকা বিদেশী কোম্পানীক অংশীদাৰ হিচাপে ললেহে তেওঁলোকক অনুজ্ঞাপত্ৰ প্ৰদান কৰা হব। এই নীতিৰ ফলশ্ৰুতি হিচাপে টেলিফন উদ্যোগত যন্ত্ৰপাতি নিৰ্মাণ আৰু সেৱা প্ৰদানৰ অৰ্থে বহুতো বৃহৎ বিদেশী সংস্থাই ভাৰতত খোপনি পুতিছে। জাৰ্মানিৰ চিমেন্চ, ফ্ৰান্সৰ এলকাটেল্, চুইডেনৰ মটৰলা, জাপানৰ ফুজিৎসু, আমেৰিকাৰ এ টি, এণ্ড টি আদিৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য। নতুন নীতিত ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান সমূহক সীমিত পৰিসৰতহে সেৱা প্ৰদানৰ অনুজ্ঞা পত্ৰ প্ৰদান কৰা হব। নিজস্ব চক্ৰৰ পৰিসীমাৰ ভিতৰতহে এওঁলোকে ব্যৱসায় চলাব পাৰিব। ইয়াৰ বাহিৰত দূৰসংযোগ সেৱা আৰু ব্যৱসায় পৰিচালনাৰ অধিকাৰ চৰকাৰী খণ্ডৰ হাততেই একচেতীয়া ভাবে থাকিব। চৰকাৰী খণ্ডই নিজাকৈ

বুনিয়াদী সেৱা আগবঢ়াব নোৱাৰে যদিও যৌথ
ব্যক্তিগত খণ্ডৰ লগত এই সেৱা প্ৰদানৰ সুবিধা
কৰিব পাৰিব।

দূৰসংযোগৰ উদাৰীকৰণ নীতিৰ অধীনত
গঠিত পৰিকল্পনাত ব্যক্তিগত খণ্ডৰ প্ৰবেশে ব্যক্তি
খণ্ড আৰু গ্ৰাহকক কিমান উপকৃত কৰিব সেয়া
য়াও স্পষ্ট হৈ উঠা নাই। উক্ত পৰিকল্পনাৰ বাস্তৱ
কাৰণে অহা দহ বছৰত ভাৰতত এক লাখ
(১,০০,০০০,০০০০০০০) টকাৰ প্ৰয়োজন হব বুলি
সমীক্ষাত কোৱা হৈছে। দূৰসংযোগ উদ্যোগৰ ফল
সময় (গেষ্টেশ্যন পিৰিয়দ) আঠ বছৰ। প্ৰা
অৱস্থাত এই উদ্যোগত অত্যধিক মূলধনৰ প্ৰয়ো
আন্তগাঠনিৰ কাম শেষ হোৱাৰ পিচত অৱশ্যে
বুলিবলৈ অকল দৰমহা-মজুৰী, পৰিচালনা
মেৰামত তথা নৱীকৰণৰ খৰচ হে চলি থ
ভাৰতৰ সাম্প্ৰতিক আৰ্থসামাজিক পৰিস্থিতিত বি
বিনিয়োগকাৰী সকলে আগৰ দৰে উৎসাহ
ৰাবও পাৰে। বিশেষকৈ এনৰণ প্ৰকল্পৰ ঘটনা
বহুতৰ মনতেই এক স্বাভাৱিক সংকোচৰ সৃষ্টি ক
বিদেশী বিনিয়োগকাৰী সকলে ৰাজহুৱা অংশ
জৰিয়তে পূজি সংগ্ৰহ কৰিব বিচাৰিলে সংশ্লিষ্ট
বিলাক সম্ভাব্য বিনিয়োগকাৰী সকলৰ দৃষ্টিত আক
কৰি তুলিব পাৰিব লাগিব। বহুদেশীয় প্ৰতিযো
মূলক ব্যৱসায়িক ক্ষেত্ৰ এখনত এইটো বৰ উজু
নহব। আনহাতে দীৰ্ঘ দূৰত্বৰ সেৱা প্ৰদানৰ
চেতীয়া অধিকাৰ যিহেতু চৰকাৰী খণ্ডতেই
সেয়েহে উদাৰীকৰণে এনে সেৱাৰ বিশেষ উন্নতি
বুলিও বেচি আশাবাদী হব নোৱাৰি। বৰং হ্ৰস্ব
টেলিফন সেৱা ঘনীভূত হোৱাৰ লগে লগে
পাতিক ভাৱে দীৰ্ঘদূৰত্বৰ সেৱাৰ বাবেও আ
সৰ্ক্তনী (চাৰ্কিট)ৰ ব্যৱস্থা কৰিব নোৱাৰিলে
বা হ্ৰস্ব দূৰত্বৰ সেৱাতো বহু কাৰিকৰী জঞ্জালে
দিব। ব্যক্তিগত খণ্ড ইয়াৰ বাবে দায়ী ন
গ্ৰাহক সকলে তেওঁলোককেই এনে সমস্যাৰ
জগৰীয়া কৰিব। অনুজ্ঞাপত্ৰৰ চৰ্তমতে ব্যক্তিগত
ব্যৱসায়িক দৃষ্টিত লাভজনক নহলেও সকলো আ
কাৰীকে সেৱা প্ৰদান কৰিব লাগিব। গাওঁ আৰু

উভয়তে উপযুক্ত গুৰুত্ব প্ৰদান কৰাটো ব্যক্তিগত খণ্ডৰ ওপৰত জাপি দিয়া আন এটা চৰ্ত্ত। এনেবোৰ চৰ্ত্তই ব্যক্তিগত খণ্ডৰ ব্যৱসায়িক সম্ভাৱনীয়তা (ভায়েবিলিটি) বিপদগ্ৰস্ত কৰিব পাৰে।

নতুন নীতিত দূৰসংযোগ নিয়ন্ত্ৰক কতৃপক্ষৰ কথাও উল্লেখ কৰা হৈছে। এই কতৃপক্ষ এটা স্বয়ং চালিত সংস্থা হব। ইয়াৰ প্ৰধান কৰ্ত্তব্য হব সেৱাৰ মূল্য নিৰ্ণয় কৰা, বিবাদ নিস্পত্তি কৰা ইত্যাদি। নামত স্বয়ং চালিত হলেও এই কৰ্তৃপক্ষ চৰকাৰী দূৰ সংযোগ মন্ত্ৰনালয়ৰ প্ৰভাৱৰ পৰা মুক্ত হৈ থাকিব বুলি আশা কৰিব নোৱাৰি। ইয়াৰ বিচাৰ বিবেচনা চৰকাৰী খণ্ডৰ প্ৰতি অনুকুল ভাৱে পক্ষপাতিত্বমূলক হব বুলি ব্যক্তিগত খণ্ডই কৰা আশঙ্কা ভিত্তিহীন বুলি অৱজ্ঞা কৰিব নোৱাৰি। ভবিষ্যতে চৰকাৰী খণ্ডক সুৰক্ষা প্ৰদানৰ স্বাৰ্থত এই কতৃপক্ষই ব্যক্তিগত খণ্ডৰ প্ৰতি-যোগী সকলৰ ওপৰত গধুৰ কৰৰ বোজা, ব্যৱসায়িক প্ৰতিবন্ধকতা আদি জাপি দি সুস্থ প্ৰতিযোগিতাৰ পৰিবেশ বিঘ্নিত কৰিব পাৰে। টেলিফনৰ ডাঙৰ আৰু গধুৰ গ্ৰাহক সকলে এতিয়ালৈ চৰকাৰী সেৱাকেই গ্ৰহণ কৰি আহিছে। এই বিলাকৰ অন্ততঃ কিছুমানক ব্যক্তিগত খণ্ডই আকৰ্ষন কৰিব নোৱাৰিলে অকল নতুন গ্ৰাহকৰ চাহিদাৰ ওপৰত ভৰষা কৰি তেওঁলোকে এই সমস্যা বহুল পৰিবেশত কিমান দূৰ কৃতকাৰ্য্য হব সেয়া এতিয়াও অনিশ্চিত। উদাৰীকৰণ সম্পৰ্কে টেলি-ফ'নৰ গ্ৰাহক সকলৰ মনোভাব বিভিন্ন প্ৰকাৰৰ। কিছুমান গ্ৰাহকে আশা কৰে যে উদাৰীকৰণে সুস্থ প্ৰতিযোগিতাৰ সৃষ্টি কৰি সুলভ মূল্যত উন্নত মানৰ সেৱাৰ যোগান সম্ভৱ কৰি তুলিব। আন কিছুমানে ভাবে যে টেলিফ'ন সেৱাৰ সংযোগৰ বাবে কৰিব লগা বিৰক্তিকৰ সুদীৰ্ঘ প্ৰতীক্ষাৰ এতিয়া অন্ত পৰিব। একাংশ গ্ৰাহকে আকৌ ৰেডিঅ' পেজিং, ইলেকট্ৰনিক মেইল, অডিঅ' টেক্সট্, ভিডিঅ' টেক্সট্ আদি অত্যা-ধুনিক সেৱাৰ আশাত উদাৰীকৰণক স্বাগতম জনাইছে। এইবোৰ অমূলক আশা নহয় যদিও এটা কথা ভাৰত-বাসীয়ে মনত ৰখাটো উচিত হব যে ব্যক্তিগত খণ্ডই প্ৰধানতঃ লাভৰ উদ্দেশ্যে আগত ৰাখিহে ব্যৱসায় চলাব। গতিকে নিম্নবিত্ত আৰু গ্ৰামাঞ্চলৰ ৰাইজৰ বাবে উদাৰীকৰণে কিমান সুবিধাৰ যোগান ধৰিব পাৰিব সেয়া অন্ততঃ কিছু পৰিমানে হলেও অনুমেয়।●

> অসমৰ যি কৃষ্টি - সংস্কৃতি আছে তাক সংস্কৃত কৰিব লাগিব। যি নতুন আহিছে তাকো অসমীয়া উচিত ভাৱকৈ গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতা পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাচিব।
>
> — বিষ্ণু ৰাভা

# বেগিং : এক জ্বলন্ত অগ্নিপিণ্ড

—ৰিক্ত কল্পী বৰা
উঃ মাঃ দ্বিতীয় বৰ্ষ

বেগিং নামৰ এই জ্বলন্ত অগ্নিপিণ্ডটো খণ্ড-বিখণ্ডৰে যোগেহে ভাৰত বৰ্ষতে ব্যাপক ভাৱে প্ৰভাৱ পৰিছে। ইয়াৰ বিৰুদ্ধে বহুতো অনুষ্ঠানে বিভিন্ন ধৰণৰ সক্ৰিয়শীল দিহাৰ দিছতো, কিছুমান প্ৰবীণ ছাত্ৰ-ছাত্ৰীৰ বাবে 'বেগিং' বিনোদনৰ বিষয় হৈ পৰিছে। আনহাতে নবাগত সকলৰ বাবে পঢ়া-শুনাত বাধাৰ সৃষ্টি হৈছে। এই বেগিং নামৰ বৰবিহটো সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব নোৱাৰিলেও, সকলোৰে সহযোগিতাত কিছু পৰিমাণে নিৰ্মূল কৰিব পৰা যাব। ইয়াৰ বাবে আৱশ্যক একতা আৰু উচ্চমনোবৃত্তিৰ।

'বেগিং কি?'—বুলি সুধিলে বিভিন্ন জনৰ পৰা বিভিন্ন মতামত পোৱা যাব। মোৰ মতে বেগিং হ'ল এক বিষাক্ত কালসৰ্প। ইয়াৰ ফলত প্ৰতিশোধৰ জুই জ্বলি উঠে। নবাগত সকলে যেতিয়া তেওঁলোকৰ পিছৰ চামকো একেধৰণৰ কথাকে সুধি বিমোৰত পেলাবলৈ চেষ্টা চলাই। ইয়াৰ ফলত নবাগত আৰু প্ৰবীণ ছাত্ৰৰ মাজত বহু সময়ত সংঘৰ্ষ হোৱা দেখা যায়। প্ৰবীণ ছাত্ৰ ছাত্ৰী সকলে বেগিং হিচাপে কৰা অতি সাধাৰণ প্ৰশ্ন কেইটামান উল্লেখ কৰিছো। যেনে, কুকুৰৰ দৰে ভুক লগা, পকাত থানগছ কৰা, পকাত পানী ঢালি সাঁতোৰিবলৈ আদেশ দিয়া আদি "ক খ ------ ঙ ড়" গাবলৈ আদেশ দিয়া আদি বহুতো এনে ধৰণৰ প্ৰশ্ন সুধি বিমোৰত পেলাই নবাগত সকলক, আৰু আমোদ পায় প্ৰবীণ ছাত্ৰ-ছাত্ৰী সকলে।

এনে কিছুমান অসাধাৰণ অসন্তুৰ কাৰ্যৰ বাবে

Hostel ত থাকি পঢ়িবলৈ যোৱা সকলে ঘৰলৈ
আহিব লগা হয়। আৰু কিছুমানে সেই পৰি
সন্মুখীন হ'ব বুলি ভাবিলেও চিৰ জীৱন মানসি
শাৰিৰীক ভাৱে পঙ্গু হোৱাও দেখা যায়।

এইখিনিতে এটা কথা উল্লেখ কৰিলে মই
বেয়া নহ'ব, কথাটো হ'ল 'নাৰী মুক্তি'। এই নি
লৈ নাৰী সকলে বৃহৎ আন্দোলনৰ সৃষ্টি
যেনেকৈ, সেইদৰে নাৰীয়েই নাৰীৰ ওপৰত অ
চলোৱাৰ কথা কাগজে-পত্ৰই পাই আ
Hostel ত থাকি পঢ়িবলৈ অহা ছাত্ৰী সকলে উচ্চ
বাবে ঘৰৰ পৰা আতৰত থাকিব লগা হয়। কিন্তু
ছাত্ৰী সকলে, নবাগত সকলৰ ওপৰত যি অ
চলাই, সেই অশ্লীল অত্যাচাৰ ব্যক্ত কৰিব নে
এনে অশ্লীল অত্যাচাৰৰ ফলস্বৰূপে নবাগত
গৰাকীক 'পাগলী' আখ্যা দি নতুবা চিৰজীৱনটো
ঘটিব নোৱাৰা কলঙ্কৰ দাগ সানি দিয়ে। এনে
কথো পুৰণা ছাত্ৰী কিগৰাকীয়ে নবাগত
জৰিবাত এবাৰো ভাবি নাচায়নে। ই বৰ্তমান
জগতখনৰ বাবে কিমান নিন্দনীয় বিষয়।

এনেদৰে যদি ছাত্ৰ-ছাত্ৰী সকলে আ
থাকিও ইয়াৰ সুবিধাৰ পৰা বঞ্চিত হয় তেন্তে
বিদ্যালয় সমূহত আবাস গৃহৰ ব্যৱস্থা নৰখাই
হব। ইয়াৰ বাবে জগৰীয়া অকল যে প্ৰবী
ছাত্ৰী সকল এনে নহয়, মই ভাবো মহাবিদ্যা
পক্ষৰ অৱহেলাৰ বাবেই এনে এক পৰিস্থিতি
হয়। তেওঁসকলৰ নিজ কৰ্তব্যৰ প্ৰতি
নোহোৱা বাবেই মহাবিদ্যালয় আৰু আৱা
চাৰিবেৰৰ ভিতৰত এনে কিছুমান অসন্তুৰ কা
হ'ব পাৰিছে। যেতিয়া প্ৰতিশোধৰ জুইত
মেধালি প্ৰত্যেকে বেগিং কৰাৰ আগতে নিজৰ
সেই পৰিস্থিতিটো মনত পেলাব লাগে। তেতি
এই বেগিং নামৰ বৰবিহটোৰ অন্ত পৰিব।

যেতিয়া সকলো শেষত আমি সকলো
নবাগত ছাত্ৰ ছাত্ৰী ও মহাবিদ্যালয়ৰ কৰ্তৃপ
গোট হৈ এই বেগিং নামৰ জ্বলন্ত অগ্নিপিণ্ডটো
বাবে এটি সুস্থ পৰিবেশ গঢ়ি তোলোঁহক
আমাৰ ভৱিষ্যৎ উজ্জল হ'ব। □

প্ৰবন্ধ

# যৌন শিক্ষাৰ প্ৰয়োজনীয়তা ঃ

— শৈলেন্দ্ৰ কিশোৰ সন্দিকৈ
স্নাতক তৃতীয় বাৰ্ষিক

বৰ্ত্তমান যুগত এনেকুৱা কিছুমান জ্ঞান দিয়াটো প্ৰয়োজনীয় বুলি মই ভাবো। যি কোনো বিষয়ৰ শিক্ষাই মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আনে। শিক্ষা সম্পৰ্কে গান্ধীজীয়ে এষাৰ কথা কৈছিল — "শিক্ষাই মানুহৰ মন, প্ৰাণ আৰু শৰীৰৰ পূৰ্ণতা লাভ কৰায়"। আজিৰ যুগত খোজ মিলাই চলিবলৈ হলে যৌন শিক্ষাৰ বৰ প্ৰয়োজন। বৰ্ত্তমান জীৱনত বিজ্ঞান জীৱনত যৌন জীৱনৰ ব্যৱস্থাৰ পৰিৰ্বতে সকলোতকৈ ডাঙৰ বিপ্লৱৰ সৃষ্টি কৰিব ধৰিছে। ইয়াৰ বিভিন্ন দিশ সম্পূৰ্ণ ভাৱে আয়ত্ত্ব কৰিব নোৱাৰিলে জীৱ শ্ৰেষ্ঠ মানুহৰ জীৱনত কেৰোণ লাগিব। গতিকে সকলো বিষয়তে সুস্থ পৰিবেশৰ প্ৰয়োজন। যৌন বিষয়ক এনে পৰিবেশৰ কাৰণে এই জ্ঞান আয়ত্ত্ব কৰাটো প্ৰতিজন মানুহৰে কৰ্তব্য আৰু দায়িত্ব আছে। কিন্তু এটা কথা মন কৰিব লগীয়া হয় যে এই বিষয়ত আলোচনাবোৰ আমাৰ সমাজত এতিয়াও অশ্লীল বুলি ভাবে। কিন্তু যি প্ৰক্ৰিয়া বা নীতিৰ বশৱৰ্তী হৈ মানৱ জাতি জীয়াই আছে, তাৰ বিষয়ে নীতিগত বা নিকা আলোচনাকে যদি আমি অশ্লীল বুলি গণ্য কৰো তেনেহলে, পৃথিৱীত শ্লীল বুলিলে আমি কি বুজিম?

এইটো এটা ডাঙৰ প্ৰশ্ন। কিন্তু যৌন শিক্ষা বিষয়ত পূব আৰু পশ্চিমে বহুত আগুৱাই গৈছে। সেই বুলি আমি তেওঁলোকক অনুকৰণ কৰিলেও কেতিয়াবা বিপদ গ্ৰস্ত হোৱাৰ ভয় থাকে। সেই কাৰণে যি কোনো ঠাইৰ যৌন সংক্ৰান্তৰ সুস্থ পৰিবেশ আৰু তাৰ উৎকৰ্য সাধনৰ কাৰণে সেই ঠাইৰ ব্যক্তি, পৰিয়াল, বন্ধু-বান্ধৱ, সমাজ, চিকিৎসক আৰু ধমকৰ্ম, ৰীতি-নীতি আদি সকলো বিলাক জড়িত থাকিব লাগে।

পুৰণি মঠ মন্দিৰৰ দেৱালত খোদিত নগ্ন চিত্ৰসমূহে প্ৰমাণ কৰে যে এসময়ত সাহিত্যিকেই যৌন সাহিত্য ৰচনা কৰি মানুহক যৌন শিক্ষা জ্ঞান দিছিল ঠিক সেইদৰে মানুহে ভাস্কৰ্য শিল্পৰ জৰিয়তেও মানুহক যৌন-শিক্ষা প্ৰদান কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। আমাৰ দেশৰ বাহিৰে অন্য দেশত যৌন-শিক্ষা ব্যৱহাৰ কৰাতো দোষণীয় বুলি নাভাবে। কিন্তু আমেৰিকা নিচিনা দেশত যৌন-শিক্ষা ব্যৱহাৰ কৰাটো নিজৰ কৰ্তব্য বুলি বিবেচনা কৰে। কিন্তু আমাৰ দেশত যৌন বিজ্ঞান পঢ়ি ল'ৰা-ছোৱালীৰ অনিষ্ট সাধন হৈছে বুলি ভবা হয়।

সাধাৰণতে নজনা কথা জানিবলৈ, নেদেখা বস্তু চাবলৈ মানুহৰ ইচ্ছা হয়। গতিকে ল'ৰা-ছোৱালী যৌৱন প্ৰাপ্ত হোৱাৰ লগে লগে যৌন-ক্ৰিয়াৰ বিষয়ে সকলোৱে জানিবলৈ ইচ্ছা কৰে। অথচ জানিবলৈ সুবিধা নাই। আজি কালি নানা বিধ ঔষধৰ বিজ্ঞাপন পঢ়ি, আৰু দুষ্ট সমনীয়াৰ লগত পৰি ব্লু-ফ্লিম, নৃত্য, চিনেমা, অশ্লীল কিতাপ আদিয়ে বহুতো স্কুল বা কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যৌন কামনা তীব্ৰ ৰূপ ধাৰণ কৰাই আৰু ইয়াৰ ফলত বিবাহৰ আগতে যৌনমিলন, যৌন অপৰাধ, পিতৃহীন সন্তান, গৰ্ভপাত মানসিক ৰোগ বৃদ্ধি আদি হোৱা দেখা যায়। এনেকোৱা ঘটনা খবৰ কাগজত প্ৰায় দেখিবলৈ পোৱা যায়। আজি কালি শিক্ষা অনুষ্ঠান বিলাকতো এনেকুৱা ঘটনা শুনিবলৈ পোৱা গৈছে।

প্ৰসিদ্ধ ফৰাচী লেখক বালজাকৰ মতে খাদ্যৰ দৰেই 'চেক্স' বা যৌনতাও দেহৰ বাবে অত্যাৱশ্যক।

যৌন শিক্ষাৰ বিষয়ে সুজ্ঞান নথকাৰ বাবে মানুহ

যৌন সংক্ৰান্তীয় কিছুমান ধুৰাবোগ্য যেমাৰবো চিকাৰ হ'ব লগা হৈছে। সেয়েহে নিয়মীয়া শিক্ষাৰ স্বাস্থ্য শিতানত যৌন বিজ্ঞান এটা বিষয় হিচাবে স্বীকৃতি পোৱাৰ সময় আহি পৰিছে।

সাধাৰণতে এটা শিশুক কিমান বয়সত যৌন শিক্ষা দিব পৰা যায় তাৰ কোনো নিৰ্দিষ্ট সময় নাই। যেতিয়াই শিশুৱে কোনো বিষয়ৰ যুক্তি সংগত ব্যাখ্যা তাৰ মনত জুকিয়াই ল'ব পৰা হয় তেতিয়াই তাক এই বিষয়ৰ জ্ঞান দিয়া উচিত।

এটা কথা মন কৰিব লগীয়া হয় যে সকলোবোৰ শিশুৱেই কম বেছি পৰিমাণে যৌন বিষয়ক কথাবোৰকে জানিবলৈ উৎসুক হয়। এই অৱস্থাত সিহঁতে পিতৃ-মাতৃক নানা ধৰণৰ প্ৰশ্নেৰে থকা সৰকা কৰে। কিন্তু যৌৱনত ভৰি দিয়াৰ লগে লগে এনে ধৰণৰ যৌন বিষয়ক প্ৰশ্নবোৰ সিহঁতে এৰাই চলে। কাৰণ শিশু অৱস্থাত তেওঁলোকৰ মনত পিতৃ-মাতৃয়ে এনে ধৰণৰ কিছুমান ধাৰণা সুমুৱাই দিয়ে যে এই বিলাক সভ্যতাৰ পৰিচয় নহয়। সেইকাৰণে ডেকা-গাভৰু বয়সত সকলোবিলাক ল'ৰা-ছোৱালী এনে ধৰণৰ কথাবোৰৰ পৰা প্ৰকাশ্য আলোচনাৰ পৰা আঁতৰি থাকে।

পিতৃ-মাতৃৰ উপৰিও শিক্ষানুষ্ঠান, সমাজ, শিল্প-কলা, বিজ্ঞান, ধৰ্ম আদি সকলো প্ৰকাৰৰ সহায়তে সুস্থ যৌন জ্ঞান আহৰণ কৰাত সহায় কৰাতো আজিৰ যুগত প্ৰয়োজনীয়। এই ক্ষেত্ৰত সকলো স্তৰৰ মানুহৰে সকলো অনুষ্ঠানৰে দায়িত্ব আছে। কিন্তু যদি অন্ততঃ সমাজৰ সৰহ সংখ্যক মানুহেই যৌন শিক্ষা প্ৰাপ্ত নহয়, তেনেহলে আজিৰ সভ্যতা আৰু আজি সমাজৰ লগত খোজ মিলাই চলিবলৈ হ'লে, যৌন বিষয়ত জ্ঞান থকা বৰ দৰকাৰ। সেয়েহে বিশ্বৰ যৌন স্বাস্থ্যৰ নিচিনা ( World Sex Health ) অনুষ্ঠানৰ সৃষ্টি। আৰু এই শিক্ষাৰ প্ৰতি শিক্ষা অনুষ্ঠানতে বাধ্যতা-মূলক কৰাৰ প্ৰচেষ্টা চলিছে।

পবিত্ৰ জীৱন যাপন কৰিবলৈ যৌন-শিক্ষাৰ প্ৰয়োজন। ধৰ্ম আৰু শিল্প যৌন-জীৱনৰ লগত সাঙোৰ খাই আছে। সাধাৰণতে পিতৃ-মাতৃ সকলে নিজৰ সন্তানক বা ল'ৰা-ছোৱালীক যৌন জ্ঞান দিয়াটো উচিত আৰু তেওঁলোকৰ এইটো কৰ্তব্য বুলি অ
লাগে।

যৌন বিজ্ঞান দুবিধ। এবিধে যৌনাবেগক
দমণ আৰু জয় কৰে। আনবিধে উত্তেজিত কৰে
আহাৰ যোগায়। এতেকে প্ৰথম বিধক শিক্ষা হি
ব্যৱহাৰ কৰি দ্বিতীয় বিধক সমূলি বৰ্জন কৰিব ল
এই ক্ষেত্ৰত যৌন তত্ত্ব থকা, যৌন বিজ্ঞান অধ্যয়
লেখকে লিখা কিতাপ বিলাক বৰ আদৰণীয়।
বিকৃত নগ্ন নাৰীৰ ছবিৰে যৌনাবেগক আহাৰ যো
কিতাপ বিলাক বৰ্জনীয়। ডনাল্ড গিডিচে (ON
GEDDIS) কোৱা মতে "পৃথিৱীক আজি শা
স্থান বুলি কব নোৱাৰি"। পৃথিৱী অশান্ত।
মানুহৰ যৌন শিক্ষাজ্ঞান নহলে পৃথিৱী অশান্ত
থাকিব, যিহেতু ইয়াৰ সম্বন্ধ ধৰ্ম-কৰ্ম সকলে
এটমিক (ATOMIC) শক্তিৰ নিচিনাকৈ যৌন
ব্যাখ্যাতীত। এই শক্তি সমাজ ধ্বংস কৰিবলৈ য
কৰিব পাৰি, যৌন শিক্ষাৰ পৰা যি লাভ হ
শেষ দিব নোৱাৰি। বিশেষকৈ যৌন শিক্ষাৰ
চৰিত্ৰ গঠনত সহায়, সুস্থ যৌন জীৱন-যাপন,
বিকৃতিৰ সংখ্যা হ্ৰাস, বিবাহ বিচ্ছেদৰ সংখ্যা
আৰু গৰ্ভপাতৰ সংখ্যা হ্ৰাস, স্বাস্থ্য ৰক্ষাত
আৰু জীৱন কাল বৃদ্ধি আৰু সুস্থ ব্যক্তিত্ব আ
স্থানৰ ভৱিষ্যতে সুস্থ সমাজ গঠন।

আজিৰ সমাজত এটা কথা মন কৰিব ল
আজিৰ যুগত ছাত্ৰ-ছাত্ৰী সকলক নানা ধৰণৰ
দিয়া হৈছে। কিন্তু আজিলৈকে যৌন শিক্ষাৰ
education) বিষয়ে জ্ঞান দিয়া আমাৰ ইয়াত
পদ্ধতি নাই। কিন্তু Computer S ience আজি
যেনেকৈ বৰ দৰকাৰ, ঠিক তেনেকৈ Sex edu
বৰ দৰকাৰ।

'ইউনেস্ক'ৰ পৰা প্ৰকাশিত এটা বাতৰি ম
৫ৰ পৰা ১০ নিযুত সংখ্যক এইডছ ৰোগীৰ স
ওচৰা ওচৰি। ৰিপৰ্ট টোত এই কথাও প্ৰক
হৈছে যে যৌন শিক্ষাইহে একমাত্ৰ এই ৰোগী
হ্ৰাস কৰাত সহায় কৰিব পাৰিব। তেনেহলে
নিজে ভাবি চোৱাতো উচিত যে আমি
গ্ৰহন কৰাটো উচিত নে অনুচিত ?

আচলতে যৌনশিক্ষা জীৱনত অতি প্ৰয়োজনীয়, মানৱ জাতিক জীয়াই ৰখাত এক প্ৰকৃতি প্ৰদত্ত শক্তি। ইয়াক বুজিবলৈ আৰু নীতি মতে প্ৰয়োগ কৰিবলৈ শিক্ষা দিয়া বাঞ্চনীয়। প্ৰয়োজন অনুসাৰে এই শিক্ষাৰ বিশ্বৰ সকলো ঠাইতে প্ৰচলিত হব, মানৱজাতিয়ে চিকিৎসা বিজ্ঞানত এক প্ৰকৃত উন্নতিৰ পথত আগবাঢ়িব। যৌন স্বাস্থ্য পূৰ্ণ মানুহবে পৰিপূৰ্ণ এখন সুন্দৰ পৃথিৱী নিয়েই হ'ব তাৰ প্ৰতিদান।

মানুহ জীৱ শ্ৰেষ্ঠ প্ৰাণী, বহুত অসাধ্য সাধন কৰিছে যদিও জন্ম বিবাহ আৰু মৃত্যু এই তিনিটাৰ ওপৰত বোলে মানুহৰ হাত নাই। জন্ম আৰু মৃত্যুৰ লগত চিকিৎসা বিজ্ঞানৰ সম্বন্ধে জড়িত হৈ থকা ভালেমান তথ্য এতিয়াও অজ্ঞাত। তাহানিৰে পৰা জীৱন কালটো আশ্ৰম বা স্তৰত বিভক্ত কৰিছে। সেই ভাগ সমূহো যাইকৈ যৌন বিষয়ৰ লগতে জড়িত, যেনে ব্ৰহ্মচাৰ্য্যাশ্ৰম, গাৰ্হস্থ্যাশ্ৰম ইত্যাদি। যৌন বিষয়ৰ লগত জন্মৰ ৰহস্য নিবিড়, যৌন সম্পৰ্ক নহ'লে দি জন্ম নহয়, জন্ম নহলে মানৱ জীয়াই নাথাকে।

মনুষ্যত্বত ঈশ্বৰৰ ঐশ্বৰিক শ্ৰেষ্ঠ প্ৰকাশ পাইছে, শাস্ত্ৰত কৈছে "গুভ্যং পৰং মম মনুষ্য লিঙ্গ"। আৰু বাইবেলত কৈছে ঈশ্বৰে সৃষ্টি কৰা মানুহ তেওঁৰ আদৰ্শৰ প্ৰতীক"। কিন্তু আমি ঈশ্বৰৰ ওপৰতে ভৰসা কৰি আমি তেওঁৰ সৃষ্টি ৰক্ষা কৰি আছিছো, তাৰ মূলতে হ'ল যৌন ক'লা বা যৌন বিজ্ঞান।

বিশ্ববিখ্যাত ফ্ৰয়েড (F R O Y E D) চাহাবৰ মতে "যৌন সম্পৰ্কৰ নিকা আলোচনাত সমাজৰ আপত্তিৰ কোনো থল নাই"।

কিয়নো আজি যৌন বিকৃতি সমাজৰ সমস্যা। আজি ডাঁৱৰ ভেদি পোহৰে আমাৰ আগত দেখা দিছেহি, তাৰেই প্ৰভাৱত আজি মানৱ সমাজৰ সকলো সম্প্ৰদায়ৰ সকলো শ্ৰেণীৰ মানুহে যৌনতত্ব আলোচনা কৰা প্ৰয়োজন হৈছে; কিয়নো এই জ্ঞান আহৰণ নকৰাকৈ যৌন জীৱনৰ সূত্ৰপাত হলে বহুত শাৰীৰিক, মানসিক, সামাজিক বা আধ্যাত্মিক অসুস্থতাই দেখা দিব পাৰে। সেয়েহে আজি বিশ্বজুৰি যৌন শিক্ষাৰ জাগৰণ হৈছে। +

> যি কথাই যি কামে যি চিন্তাই মানুহক বৰ্বৰ প্ৰকৃতিৰ পৰা তুলি নি দিব্য প্ৰকৃতি দিয়ে—এই পৃথিৱীখন ধুনীয়া কৰি মানুহক মানুহৰ জীৱনৰ সম্পূৰ্ণ আনন্দ পাবলৈ বাট দেখুৱাই দিয়ে—মানুহৰ সেই কথাই, সেই চিন্তাই হৈছে সংস্কৃতি।
>
> —জ্যোতিপ্ৰসাদ আগৰৱালা

**প্ৰবন্ধ**

# আলোকপাত ঃ
## N. C. C ত মোৰ অভিজ্ঞতা

— তৰুণ সন্দীক
বি, কম, ৩য় ব

H. S L. C পাছ কৰি ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত প্ৰথম বাৰ্ষিকত নাম লগাই প্ৰথমে যেতিয়া মহাবিদ্যালয়ৰ দুৱাৰ দলিত ভৰি দিলো আৰু মহাবিদ্যালয়ৰ ছাত্ৰ হলো। অসম তথা বাহিৰৰ বিভিন্ন প্ৰান্তৰপৰা অহা ছাত্ৰ-ছাত্ৰী একেলগে সমবেত হৈছিল তেতিয়া যেন অনুমান হৈছিল 'গান্ধীৰতে ম'হৰ খুটি, সান্দহত হাত'। বন্ধু আৰু শিক্ষাগুৰু সকলৰ আচৰণে আমাক মুগ্ধ কৰি তুলিছিল। ক্লাচৰ মাজেৰে বিভিন্ন শিতানৰ দিশ আমাক একতা সভাৰ সভ্য সকলে আঙুলিয়াই দিছিল। যেনে — N. C C., N S S. আদি। প্ৰথমে মই N C.C ত অংশ গ্ৰহণ কৰিছিলো। N.C.C ত মোৰ অভিজ্ঞতাৰ এই চমু আভাস ছাত্ৰ-ছাত্ৰীসকলৰ আগত ডাঙি ধৰিলো।

'জীৱন মানেই সংগ্ৰাম, যি সংগ্ৰামলৈ ভয় কৰে তাক কেতিয়াও বিশ্বাস নকৰিবা, সি কাপুৰুষ।' Deffence মানে কি ? Deffence মানে হ'ল নিজেই নিজক বচোৱা। এই Deffence অৰ এক অঙ্গ হ'ল N. C. C.। যদি সকলো মানুহে Deffence বাদ দিয়ে তেন্তে দেশ ৰসাতলে যোৱাটো সুনিশ্চিত।

মোৰ অভিজ্ঞতাৰ পৰা প্ৰথমে মই প্ৰতিযোগিতা মূলক Camp, অত ভাগ ললো অৰ্থাৎ। B L. C. Camp প্ৰথমে Dibrugarh ত "পলো" খেল পথাৰৰ কাষত আমাক শিক্ষা দিয়া হ'ল। যেনে - Drill, Arms Drill, weapon Training, Map reading, Section drill, Obstacles আদি বিভিন্ন শিতানত আমাক শিক্ষা দিয়া হ'ল। শিক্ষা দিছিল আমাৰ Unit অৰ অৰ্থাৎ 10 Assam B. N. N. C C ৰ কৰ্মকৰ্তাসকলে। আমি Dibrugarh অৰপৰা 40 জনীয়া

এটা দল গঠন কৰি খিলঙলৈ গলো। আৰু প্ৰতি
যোগিতাত মই Odstacles ত N. E. R. ভিত্তিত প্ৰ
হলো আৰু প্ৰতিযোগিতাত অংশ গ্ৰহন কৰিব
সুযোগ পালো। তাৰ ওপৰিও মই Army Attachm
A T. C. Para Troopers, P. B. L. C, B. L. C. Bay
Fighting আদি Camp অত ভাগ লবলৈ সুবিধা পা
আৰু N. C. C. 'B' আৰু 'C' Certificate লাভ কৰিব
অৱশ্যে এইবোৰ অবিহনা লওঁতে পঢ়াত বহু পৰি
ব্যাঘাট হৈছিল আৰু মোৰ অভিজ্ঞতাৰ ফালৰ পৰা
C. য়ে পঢ়াত কিছু পৰিমানে হলেও ব্যাঘাট জ
কাৰণ N. C. C Camp সমূহ ক্ৰমে ১৫ দিনৰপৰ
দিনৰ ভিতৰত B. L. C, R. D. C. আদি Camp
৩০ দিনৰপৰা দুমাহ পৰ্য্যন্ত হৈছিল। গতিকে
দীঘলীয়া Camp সমূহে পঢ়াত নিশ্চয় কিছু পৰি
হলেও বাধা আনে। এটা কথা, কিবা এটা প
হলে এটা হেৰুৱাব লাগিবই। N. C C 'B' আ
Certificat তে Deffence অত অংশ গ্ৰহন ক
হলে ৫০% ৰেহাই থাকে। তাৰ ওপৰিও N. C
বিভিন্ন Camp অত অংশ গ্ৰহনৰ দ্বাৰা ভাৰতৰ
তাকত তিনিকা ঠাই দেখিবলৈ পোৱা যায়
Cadet ভাৰ চলন, ফুৰণ, পিন্ধন আৰু পৰিচ
যথেষ্ট সহায় কৰে। কিন্তু Camp সমূহে প্ৰায়
বিদ্যালয় বন্ধ থকা অৱস্থাত হয় বাবে বহু
ছোৱালী এই Camp সমূহৰপৰা বিৰত থাকে

এই Deffence অৰ এক অঙ্গ N. C C
হয় ১৯৪৬ চনত। কিন্তু ১৯৪৮ চনতহে ইয়াক
কৰা হয়। পাছত Defence অৰ সুবিধাৰ্থে

ত বায়ু সৈন্য গঠন কৰে ১৯৫০ । ১৯৫২ চনত নৌ সৈন্য গঠন কৰে । পাছত ১৯৬৩ চনত বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত N. C. C. গঠন কৰা হয় । ১৯৬৬ চনত German ৰ B. Saleard নামৰ সৈন্যই কামানৰ সুবিধাৰ্থে Drill অৰ জন্ম দিয়ে । বিভিন্ন দিশলৈ চাই N. C. C. Rank সমূহক এনে ধৰণে বিভক্ত কৰা হয় । প্ৰথমে ভৰ্তি হওঁতে Cadet বোলে । তাৰ পাছত ক্ৰমে

1. ∨ — এডাল ফিটা — Lance Corporal.
2. ∨ — দুডাল ফিটা — Corporal.
3. ✓ — তিনিডাল ফিটা — Sergeant.
4. C. S. M. — Company Sergent Major.
5. U. O. — Under Officer
6. S. U. O. - Senior under oficer. ( high ).

ভাৰতত মুঠতে N. C. C. ৰ ১৬ টা কাৰ্য্যালয় আছে । যেনে — ব'ম্বে', ভুপাল, মাদ্ৰাজ, কলিকতা, পাটনা, লক্ষ্ণৌ, দিল্লী, চণ্ডীগড়, শ্বিলং, বাংগালোৰ, ত্ৰিবেন্দ্ৰম, চিকন্দৰাবাদ, কটক, জয়পুৰ, আহমদাবাদ আৰু শ্ৰীনগৰ । ইয়াৰ প্ৰধান কাৰ্য্যালয় দিল্লীত অৱস্থিত ভাৰতৰ বিভিন্ন শিতানত ভিত্তি কৰি চৰকাৰে বিভিন্ন Camp অৰ কথা উল্লেখ কৰিছে । যেনে —

1. Annual Training Camp.
2. Social Service Camp.
3. All India Summer Training camp.
4. Advance leadership cources.
5. Cources at Himalayan mountain carrying. Institute Darjelling and Manali.
6. O. T. U. Training camp.
7. Attachment to regular Army.
8. Republic day camp.
9. Hikking and Treaking Camp.
10. B. L. C Camp.
11. N. I. C Camps ইত্যাদি বিভিন্ন ধৰণৰ Camp চৰকাৰে স্থাপন কৰিছে ।
12. Youth Exchange Programme. ( Kanada U.K, Australia )

N. C. C. কি ? N. C. C মানে হ'ল — National Cadet Corps ( ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী ) । ইয়াৰ উদ্দেশ্য হ'ল দেশত কোনো দুৰ্যোগ, আপদ কালত সহায় কৰা, বাহিৰা দেশৰ লগত যুদ্ধ হলে আভ্যন্তৰীণ ৰক্ষা আৰু শিক্ষাৰ্থীৰ চলন ফুৰণ, পিন্ধন, পৰিচালনা হ'ল ইয়াৰ প্ৰধান উদ্দেশ্য অৰ্থাৎ "Unit discipline" । N. C. C. enrolment নিম্ন শাখা ১৩ বছৰৰ-পৰা ১৮½ বছৰ আৰু উচ্চ শাখা ১৬ ৰ পৰা ২৬ বছৰ । ইয়াৰ কাৰ্য্যকাল তিনিবছৰ, কোনো আৱশ্যক হলে আৰু এবছৰ বঢ়াই লব পাৰে । আৱশ্যক অনুযায়ী N. C. C Training বোৰক দুটা ভাগত ভগাব পাৰি । যেনে

1. Institutional Training.
2. Camp "

এই সকলো Camp ৰ ভিতৰত আগতিয়াল Camp হ'ল Army attachment, B. L. C. , Republic day camp আৰু A. T. C camp । কাৰণ এই camp কেইটাত সকলো দিশকে সাঙুৰি লয় । যেনে Drill মানে কি ? আমি জানিবলৈ হলে German ৰ M. General B. Saleard জন্ম কৰা অৰ্থাৎ Drill মানে কামান কণ্ট্ৰলৰ এক অংগ । ইয়াৰ ভাগ দুটা যেনে—খোলা ড্ৰিল্ আৰু বন্ধ ড্ৰিল্ । খোলা ড্ৰিল যুদ্ধ ও আৰু বন্ধ ড্ৰিল সুকলি পথাৰ আদিত কৰা হয় । খোলা ড্ৰিল বোৰক ৬ টা ভাগত ভগাব পাৰি ।

যেনে — (1) খালি হাত ড্ৰিল
(2) Arms ড্ৰিল
(3) কেন ড্ৰিল
(4) তৰুৱাল ড্ৰিল
(5) টিৰংগা ড্ৰিল
(6) ফৰমেল ড্ৰিল ( মানুহে মাৰিলে যি ড্ৰিল কৰা হয় তাকে ফৰমেল ড্ৰিল বোলে । )

প্ৰশিক্ষণ কালৰপৰা কবলৈ হলে "Army Attachment" কেম্পত কেডেত সকলক প্ৰধানকৈ Deffence মানে কি তাৰ পৰিচালনা, অস্ত্ৰ - সস্ত্ৰ পৰিচয়, মেপৰ পৰিচয়, ২২ Rifol, L. M. G, Cavdine. H. E Gvinade, Pistal আদি প্ৰশিক্ষণ দিয়া হয় । সামৰনিত কওঁ যে অসমত ১৯৫১ চনত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ জন্ম লয় । বৰ্ত্তমান ৬৮ খন মহাবিদ্যালয় আৰু ২২৫ খন স্কুলত মুঠ ৩৪ হেজাৰ ১৭৪ জন Cadet য়ে এই বাহিনীত

যোগদান কৰিছে। বাহিনী পৰিচালনা কাৰণে ৰাজ্যখনৰ তেজপুৰ, যোৰহাট, গুৱাহাটী, শিলচৰ আৰু ডিব্ৰুগড়ত মুঠ ৬ টা গ্ৰুপ চেণ্টাৰৰ অধীনত ১২ টা বেটেলিয়ান আৰু ১১ টা কোম্পানী আছে। অসমৰ NCC ৰ প্ৰশিক্ষণ কেন্দ্ৰীয় চৰকাৰ প্ৰতিৰক্ষা বিভাগে আৰু অসম চৰকাৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ যুটীয়া তত্বাৱধানত পৰিচালিত হয়।

NCC ত নীতিগত নিয়ম অনুযায়ী কেডেট সকলক বছৰেকৰ ২ ঘণ্টিয়া সময়ৰ মুঠ ৪০ টা প্ৰশিক্ষণ পেৰেডত উপস্থিতি থাকিব লাগে। দুখৰ বিষয় কেডেট সকলে প্ৰতি পেৰেডত উপস্থিতিৰ বাবে মাথোন ১৫০ টকাহে চাহ-খোৱাৰ বাবদ পায়। কিন্তু অন্য ৰাজ্যত এই বাবদৰ পৰিমাণ ৩ টকা। প্ৰশিক্ষণৰ সময়ত প্ৰতিজন কেডেটক প্ৰকৃত যাতায়ত খৰচৰ উপৰিও যাত্ৰাৰ সময়ত দৈনিক ভাট্টা দিয়া হয় ১০ টকা আন ৰাজ্যত দিয়া হয় ২২ টকা আৰু শিবিৰত প্ৰতি দিনৰ আহাৰৰ বাবে ১০ টকাকৈ আন ৰাজ্যত ১৫ টকাকৈ দিয়া প্ৰতিদিনৰ আহাৰৰ বাবে পোৱা ১০ টকাৰে ক পৰিশ্ৰম কৰিব লগা হোৱা কেডেট সকলে প্ৰতি ২ বাৰ জলপান আৰু দুসাজ ভাত খোৱাটো সম্ভ

প্ৰাস্তত কওঁ যে, আমাৰ ভাৰতবৰ্ষত কাৰ্য্যালয় আছে তাৰে এটা অংগ হল আমাৰ এই ভনী অৰ্থাৎ উত্তৰ পূৰ্বাঞ্চল। দুখৰ বিষয় যে এই এশ এবুৰি সমস্যাৰ জৰ্জৰিত হোৱা হেতুকে সকলে সুফল লাভ কৰিব পৰা নাই। যদিহে সকলে সুফল লাভ কৰিবলৈ হয় তেন্তে এই ওপৰত চৰকাৰে ও মহাবিদ্যালয়ৰ কৰ্মকৰ্তা লাগতিয়াল অভাৱ অনাটনলৈ চকু-কাণ দি অনাগত কেডেট সকলক ক্ষোভৰ সৃষ্টি হবলৈ প্ৰয়োজন অনুসাৰে শিবিৰ, প্ৰশিক্ষণ আদি দি অনাগত NCC ক জাকত জিলিকা কৰি ভাৰতৰ একক সংখ্যা গৰিষ্ঠ কৰে যেন তাৰ কামনাৰে—

> অসমৰ যি কৃষ্টি-সংস্কৃতি আছে তাক সংস্কৃত কৰিব লাগিব যি নতুন আহিছে তাকো অসমীয়া ঠাঁচত ভালকৈ গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতাৰ পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাচিব।
>
> — বিষ্ণু ৰাভা

## গল্প

# অব্যক্ত বেদনা

— শ্ৰীমাধৱ শইকীয়া (চুতীয়া)
স্নাতক দ্বিতীয় বৰ্ষ

একেৰাহে বহু সময় কামত ব্যস্ত থাকিব লগা হোৱাত নিশি ভাগৰি পৰিল। গোনকালেই ঘৰলৈ ঘূৰি আহি বিচনাত এনেয়ে বাগৰ মাৰিলে। এই কেইদিন ইমান গৰম পৰিছে, তথাপি মেডিকেলত মানুহৰ ভিৰ কমা নাই। এইকেদিনতে ইমানকেইজন কেন্সাৰ ৰোগী যে আহিব, নিশিয়ে কল্পনাই কৰা নাছিল। আজি এসপ্তাহৰ পৰা তাই কেন্সাৰ ৰোগীৰ চিকিৎসা কৰি থাকিব লগা হৈছে। কাৰোবাৰ অপাৰেচন। আকৌ কাৰোবাক এক্সৰে। এইবোৰ চাই চাই নিশিৰ কিবা ধৰণৰ লাগিছে।

এক গভীৰ আমেজত নিশিৰ চকু দুটা জাপ খাই আহিল। অলপ পাছতে মায়া কোঠাৰ ভিতৰলৈ সোমাই আহিল। ভাত ৰন্ধাৰে পৰা ঘৰৰ সকলো কাম মায়াই অকলেই কৰে।

: বাইদেউ, টোপনি আহিল নেকি ?

মায়াই মাত লগাই নিশিৰ ভৰিৰ পিছফালে বহি ভৰিকেইটা এনেয়ে পিটিকি দিলে।

: নাই, বৰ ভাগৰ লাগিছে অ'। অলপ এনেয়ে ------। নিশিয়ে চকু মুদি থাকিয়েই কলে।

বৰ দুষ্ট এই মায়া। নিশিক অনবৰতে জোকাই থাকে। কেতিয়াবা আকৌ নানা প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰি তোলে। নিশিয়েও তাইৰ এই স্বভাৱটোৰ বাবে তাইক বৰ ভাল পায়।

: বাইদেউ চাহ দিওঁ ?

নিশিয়ে কলে।

: নালাগে থ'। ফেনৰ চুইচটোকে অন কৰি দে। বৰ গৰম লাগিলে।

নিশি বিচনাতে উঠি বহিল।

: বাইদেউ, কথা এটা সোধো ?

ফেনৰ চুইচ অন কৰি মায়াই কলে।

: সোধ আক'। তাকো সুধিব লাগিছে নেকি ?

নিশিয়ে হাঁহিলে।

: আপুনি বিয়া কৰাই নলয় কিয় ?

: বিয়া। তোৰ আকৌ বিয়াৰ কথা কেনেকৈ মনলৈ আহিল। তোৰ বিয়া ঠিক কৰিছে নেকি ?

নিশিয়ে হাঁহি সুধিলে।

: নহয়, আপোনাৰ লগৰ সকলোৱেইচোন বিয়া কৰালে। সেই কাৰণেহে সুধিছো। আৰু মইতো আপোনাৰ কাৰ লগত বিয়া হব তাকো জানো।

: বাঃ তই তেতিয়াহলে মোৰ চব খবৰ ৰাখ। বাৰু কচোন কাৰ লগত ?

নিশিয়ে সুধিলে

: দিলীপ চাৰৰ লগত।

মায়াই কলে।

: দিলীপ চাৰ কিন্তু বৰ ভাল মানুহ দেই বাইদেউ।

: কিয় ? তইনো কি বৰ ভাল দেখিলি ?

: তেখেতে কিমান ধুনীয়াকৈ কথা পাতিব পাৰে। দেখিবলৈও ধুনীয়া। আৰু কি জানে বাইদেউ তেখেতে মোকো মাতে।

: কিয় ? তোক মাতিব নাপায় নেকি ?

নিশিয়ে হাঁহি সুধিয়ে।

: নহয়। মোক দেখোন আপোনাৰ লগৰ মানুহবোৰে ভালদৰে নামাতেই। অকল দিলীপ চাৰেহে ভালদৰে মাতে।

নিশিয়ে হাঁহিলে। তেনেতে কলিং বেলটো

বাজি উঠিল।

ঃ বাচোন মায়া, কোন আহিছে চাই আহগৈ।

মায়া ওলাই গ'ল আৰু অলপ পাছতে পুনৰ সোমাই আহিল। মুখত দুষ্টামীৰ হাঁহিটো লৈ তাই কলে।

ঃ আহিছে বাইদেউ

ঃ কোন ?

ঃ দিলীপ চাৰ আৰু।

ঃ হেই। যা এইজনী।

মায়াই হাঁহি হাঁহি কোঠাৰপৰা ওলাইগ'ল।

নিশিয়ে হাঁহিলে।

নিশিৰ লগৰে ডাক্তৰ দিলীপ শৰ্মা। কেন্সাৰ বিভাগৰে এজন অভিজ্ঞ চিকিৎসক। ডাক্তৰী-জীৱনৰ আৰম্ভণীৰে পৰাই নিশি আৰু দিলীপৰ প্ৰেম চলি আহিছে।

বিচনাৰপৰ উঠিবলৈ আজি নিশিৰ বৰ এলাহ লাগিল। সকতে বাতিপুৱা ইমান সময়লৈকে শুই থাকোতে দেউতাকে দিয়া গালি তাইৰ মনত পৰিল। কিমান দিন যে হ'ল তাই দেউতাকক দেখা নাই। মায়াই আজি তাই ভাবি থকা কথাটোকে মনত পেলাই দিলে। তাই দিলীপক ভাল পায় আৰু বিয়া কৰাবও বিছাৰে। কিন্তু দেউতাকে জানো অনুমতি দিব ? বিজন দেউতাকে নেকি তাইক পঢ়াবলৈকে একেবাৰে মন কৰা নাছিল। দেউতাকৰ কঠোৰ মুখখন তাইৰ চকুৰ আগত ভাহি উঠাৰ লগে লগে তাই পুৰণি দিনবোৰৰ মাজত সোমাই পৰিল।

মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিবলৈ কেইদিনমান থাকোতেই তাই ভাবিছিল দেউতাকে এবাৰ তাইক ৰিজাল্ট কেনে হব, কোন ডিভিজনত পাছ কৰিব এইবোৰ সুধিব। কিন্তু দেউতাকে তাইক এবাৰো নুসুধিলে। তাইৰ চকুৰে চকুৰে পৰিলেও কেৰাহীকৈ চাই আতৰি যায়গৈ। নিশিৰ মন কেনেকুৱা লাগিছিল ভাবিলে আজিও তাইৰ কান্দি দিবৰ মন যায়।

মাকে এদিন কওঁতে দেউতাকে কোৱা তাই নিজেই শুনিছিল —

"পাছ কৰিলেনো কি হব। ছোৱালী পঢ়াইতো আৰু একো লাভ নাই। পঢ়াই মেলি ডাঙৰ মানুহ কৰিবা হয় কিন্তু কিছুদিনৰ পাছততো আনৰ ঘৰলৈ যাবগৈ। গতিকে তোমাৰ লগতে ৰান্ধনী কৰি লবা। তোমাৰো সহায় হব।"

সিদিনা দেউতাকৰ মন্তব্য শুনি তাই খুউব কান্দিছিল। সান্ত্বনা দিছিল মাত্ৰ অনু পেহীয়েকেহে। পেহীদেৱেকে তাইৰ মনৰ কথা সকলো বুজে। সেয়ে তাইৰ মন ভাঙিবলৈ তাই ইচ্ছা নকৰে।

কেইদিনমান পাছতে ৰিজাল্ট দিলে। তাই অংক, ইংৰাজী আৰু বিজ্ঞানত লেটাৰসহ প্ৰথম বিভাগত পাচ কৰিলে। মাক আৰু পেহীয়েকৰ কিমান যে স্ফূৰ্তি।

গধুলি মাকে ৰিজাল্টৰ কথা দেউতাকক জনালে। তাই ভাবিছিল ৰিজাল্টটো শুনি দেউতাকে নিশ্চয় ভাল পাব। কিন্তু দেউতাকৰ মুখৰ ভাবৰ একো পৰিবৰ্তন নঘটিল। চকুৰ দুয়োকোণত দুটি অশ্ৰু টোপাল বিৰিঙি উঠিল। নিজৰ কোঠালৈ আহি তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। অলপ পাছতে পেহীয়েক আহি তাইক বুকুৰ মাজত লৈ বুজাবলৈ ধৰিলে।

ঃ নাকান্দিবি নিশি। দেউতাৰা তেনেকুৱাই তেনেকৈ কয়েই। তই চিন্তা নকৰিবি। মই আছে নহয়। তই পঢ়িবই লাগিব। অন্ততঃ তোৰ ভবিষ্য গঢ় দিবৰ বাবে।

পেহীয়েক অনুক নগাওঁলৈ বিয়া দিছিল। কি ঘৰৰ মানুহৰ অত্যাচাৰ সহ্য কৰি থাকিব নোৱা নিজৰ ঘৰলৈকে ঘূৰি আহিল। এইদৰেই অন্ধকা মাজেৰে দিনবোৰ পাৰ হৈ আছে।

মাক আৰু পেহীয়েকৰ সহায়ত তাই হায় চেকেণ্ডাৰী পঢ়াৰ সুযোগ পালে। লাহে লাহে আ বেজাৰৰ মাজেৰে দিনবোৰ পাৰ হবলৈ ধৰিলে। নি ইতৰ ঘৰলৈও বহু পৰিবৰ্তন আহিল। ককায়েক দু টাই হায়াৰ চেকেণ্ডাৰী পাছ কৰিব নোৱাৰি ঘ আছেহি। দেউতাকেও আগৰদৰে ঘূৰি ফুৰে। কা লগত কথা নাপাতে। হঠাতে যে মানুহজন ই গহীন হব অনুৰে ভবাই নাছিল। হয়তো ঘৰ ভবিষ্যতক লৈয়েই চিন্তা। তেওঁৰ নিজৰ কোনো লাই। পেন্সনৰ টকা খিনিৰে মৃত্যুৰ আগলৈকে যাব।

নিশিহঁতৰ হায়াৰ চেকেণ্ডাৰী - পৰীক্ষাৰ ৰিজাল্ট দিলে তাই আকৌ দুটাত লেটাৰ লৈ পাছ কৰিলে। দেউতাকে এইবাৰো তাইক পঢ়াব নিবিচাৰিলে। পেহীয়েকে আৰু মাকে বেছিকৈ কৈ থাকোতে খঙৰ কোবত দেউতাকে কৈ দিলে।

"কোনটো ভাল কোনটো বেয়া সেইটো মই জানো। তহঁতে মোক আন একো কব নালাগে।"

ককায়েকৰ কথা শুনি ভনুৰো খঙ উঠিল। তায়ো [illegible] কলে— "দাদা এটা কথা মনত ৰাখিবি যি নিজৰ সন্তানৰ ভৱিষ্যৎ সম্বন্ধে চিন্তা নকৰে তেওঁৰ সন্তান জন্ম দিয়াৰ কোনো অধিকাৰ নাই। নিশি মোৰ নহয় তোৰহে সন্তান। তাইৰ ভৱিষ্যত সম্বন্ধে মোতকৈ তইহে ভবা উচিত আছিল। এগৰাকী বিবাহিতা অসহায় নাৰীক কেনে ধৰণৰ ব্যৱহাৰ কৰে দেখা নাই। মোকো যদি তহঁতে সৰুৰে পৰা পঢ়ালিহেতেন আজি হয়তো মোৰো এই অৱস্থা নহ'লহেতেন। কালিলৈ যদি নিশিৰো একেই অৱস্থা হয় তাৰ বাবে কেৱল তই দায়ী হবি। পুৰুষ জাতিৰ নামত কলংক সানিলি তই যি নিজৰ সন্তানকে বৈৰী বুলি গ্ৰহন কৰিছ। আহ নিশি, শিলৰ দৰে কঠিন হৃদয়ৰ মানুহৰ আগত প্ৰাৰ্থনা কৰি একো লাভ নাই।"

পেহীয়েকৰ কথা কেইষাৰে হয়তো নিশিৰ দেউতাকৰ মনৰ দুৱাৰ খুলি দিলে। নিশিৰ পঢ়াৰ সকলোখিনি খৰচ পাতিৰ টকা পেহীয়েকৰ হাতত দেউতাকে জমা কৰিলে।

নিশিয়ে ডিব্ৰুগড়ৰ "অসম মেডিকেল কলেজত" জ্ঞান লাভৰ বাবে ভৰ্ত্তি হ'লগৈ। যথাসময়ত MBBS উপাধি লাভ কৰি নিশি তাতেই ডাক্তৰ হিচাপে থাকিল। তাতেই লগ পালে দিলীপক। আৰু গঢ়ি উঠিল ঘনিষ্ঠতা।

পোষ্টমেন জনৰ মাততহে নিশিৰ সম্বিত ঘুৰি আহিল। লাহেকৈ উঠি গৈ চালে। এখন টেলিগ্ৰাম আহিছে। চমুকৈ লিখা আছে Father serious ill. Come soon", নিশিৰ মনটো বেজাৰেৰে ভৰি পৰিল।

অকণো সময় পলম নকৰি তাই দিলীপক ঘৰলৈ যোৱাৰ কথা জনালে। দিলীপে সকলোখিনি প্ৰয়োজনীয় বন্দবস্ত কৰি দিলে। যিমান পাৰি সোনকালে তাই বাচ ষ্টেণ্ড পালেগৈ। 'ডে' চুপাৰখন আহিবলৈ আৰু দহমিনিট বাকী। চকু তাইৰ চলচলীয়া হ'ল। দিলীপেও যেন সান্তনা দিবৰ ভাষা বিচাৰি পোৱা নাই।

ঘৰ পোৱাৰ লগে লগে তাইৰ মনটো কিবা এক অজান আশংকাত কঁপি উঠিল। চাৰিওফালে নিস্তব্ধতা। কাৰোৰে মাত শুনিবলৈ নাই। লাহে লাহে তাই ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ড্ৰয়িং ৰুমৰ চুকত সজাই থোৱা ফটোখন দেখাৰ লগে লগে নিশিৰ মনটো সেমেকি উঠিল। ঘৰৰ সকলো মনে মনে বহি আছে। কাৰোৰে মুখত মাত নাই। মাত্ৰ দেউতাকৰ ফটোখনৰ ওচৰত ধূপ আৰু ধূনাহে জ্বলি আছে।

মাকৰ ৰঙা পৰি থকা চকু কেইটালৈ তাই চালে। কান্দি কান্দি হয়তো মাক ভাগৰি পৰিছে। বিচনাত মুখ গুজি তাই কিমান সময় কান্দিলে নিজেই গম নাপালে।

পিছদিনা নিশিয়ে দেউতাকৰ ৰুমত সোমাল। কিতাপ পত্ৰবোৰ অসংযত, বিশৃঙ্খলভাবে পৰি আছে। তাই এখন এখনকৈ কিতাপবোৰ জাপিবলৈ ধৰিলে। হঠাতে দেউতাকৰ ডায়েৰীখনত তাইৰ হাত পৰিল। তাই কেইখিলামান কাগজ লুটিয়াই চালে। এখিলাত লিখা আছিল —

'Nishi my child, I am proud of you."

আৰু কেইখনমান পাত লুটিয়াই নিশিয়ে পঢ়িলে—

"ভাবিছিলো প্ৰতীম আৰু প্ৰকাশ ইঞ্জীনিয়াৰ হৈ ঘৰখনৰ নাম উজ্জ্বল কৰিব। কিন্তু সেয়া নহ'ল। এতিয়া মাত্ৰ নিশিয়েই মোৰ একমাত্ৰ ভৰষা। কিছুদিন পাছত তাই ডাক্তৰ হব। কিন্তু মইতো তাইৰ আগত মোৰ আশা প্ৰকাশ কৰিব নোৱাৰো। কাৰণ মন্বেই তাইৰ ওচৰত দায়ী।"

"আজি নিশি ডাক্তৰ হ'ল। মোৰ যে কিমান স্ফূৰ্তি লাগিছে। কাক কম। কবলৈ দেখোন কোনো-ৱেই নাই।

অলপ পাছত তাই আকৌ পঢ়িলে—

"মোৰ কি হৈছে জানো। গাটো দেখোন বৰ দুৰ্বল-দুৰ্ব'ল যেন লাগিছে। কালি কাহঁোতে মুখেদি তেজৰ

চেকুঁৰা ওলাই আহিছিল। সম্ভৱ কেন্সাৰ হৈছে। নাই মই কাকো নকওঁ। নিশিৰ বাবে কৰা পাপৰ এয়ে মোৰ প্ৰায়চিত্ত।'

তাৰ মাজতে নিশিলৈ লিখি থৈ যোৱা চিঠিখনত তাইৰ চকুপৰিল।

"নিশি,"

তই হয়তো মোক লগ নাপালিহি। তোক এবাৰ চোৱাৰ ভীষণ হেপাহ আছিল। কিন্তু------। প্ৰতীম আৰু প্ৰকাশেতো মোৰ সপোন থানবান কৰি দিলে। এতিয়া তয়েই মোৰ একমাত্ৰ ভৰসা। তোক লৈ গৌৰব কৰো। 'কিন্তু মোৰ কাৰোবাৰ আগত প্ৰকাশ কৰাৰ অধিকাৰ ক' ।। মইতো তোক বহুত কষ্ট দিলো। তথাপি মনৰ মাজতে মই গৌৰব কৰো। পাৰিলে তই মোক ক্ষমা কৰিবি, যাতে মোৰ আত্মাই শান্তি পায়। মোক ক্ষমা কৰিবি নিশি।

ইতি

'তোৰ দেউতা'

চিঠিখন পঢ়ি থকাৰ মাজতে তাইৰ দুচকুৰে
চকুলো বৈ আহিল। এতিয়া তাই মাক দেউতা বু
মাতিব। দেউতাকেতো মনত এক অব্যক্ত বেদনা লৈ
গুচি গ'ল। দেউতাকৰ ডায়েৰীখন বুকুৰ মাজত লৈ
নিশি উচুপি উঠিল। কপাঁ কপাঁ মাতেৰে উচুপি উচু
তাই কৈ উঠিল

"মোক এবাৰ নিশি বুলি মাতা দেউতা। মা
এবাৰ।"

দুৱাৰৰ ওপৰত আঁৰি থোৱা দেউতাকৰ ফটোখ
তাইলৈ চাই হয়তো হাঁহিছে। সিপিনে নীৰৱে চকুৰে
টুকিছে মাক আৰু পেহীয়েকে। ❀

মহৎলোকৰ লগত কথা কওঁতে সদায় তিনিটা দোষৰ কথা মনত ৰাখিবা: নোসোধাকৈ কথা কোৱাটো অবিবেচকতা, সুধিলে উত্তৰ দিব নোৱাৰাটো স্পষ্টবাদিতাৰ অভাৱ বা অসবলতা, আৰু মনোভাৱ লক্ষ্য নকৰাকৈ কথা কৈ যোৱাটো — অন্ধতা।

— কনফুচিয়াচ

**প্ৰবন্ধ**

# নলিনীবালা দেৱী আৰু মহাদেৱী ভাৰ্মাৰ গীতিকাব্যাত্মকতা আৰু কাব্য শিল্প

— ড° সত্যদেৱ প্ৰসাদ

ভাষাগত ভেদ আৰু পৰস্পৰ চিনাকি নোহোৱা স্বত্বেও অসমীয়া কবি পদ্মশ্ৰী নলিনীবালা দেৱী আৰু হিন্দী কবি জ্ঞানপীঠ অলংকৃতা মহাদেৱী ভাৰ্মাৰ গীতিকাব্য আৰু কাব্যশিল্পত আশ্চৰ্যাজনক সাদৃশ্য পৰিলক্ষিত হয়। এই সাদৃশ্যই ভাৰতৰ সংস্কৃতি আৰু জীৱনৰ আন্তৰিক একতাকে আঙুলিয়াই দিয়ে।

(১) গীতিকাব্যাত্মকতা ঃ দুয়োগৰাকী কবিৰ কাব্য চেতনা মূলতঃ গীতিকাব্যাত্মক। দুয়োৰে কাব্য প্ৰগীতিৰ মাধ্যমেৰেই চৰমোৎকৰ্ষলৈ প্ৰতিষ্ঠিত হৈছে।

(ক) মনোময়তা আৰু আভ্যান্তৰিক ভাৱৰ প্ৰাধান্য ঃ— গীতিকাব্যৰ প্ৰথম তত্ত্ব হ'ল মনোময়তা আৰু আভ্যান্তৰিক ভাৱৰ প্ৰাধান্য। দুয়োগৰাকী কবিয়ে নিজা-নিজা গীতিক আত্মাভিব্যঞ্জনাৰ চৰমোৎকৰ্ষলৈ প্ৰতিষ্ঠিত কৰিব পাৰিছে। মহাদেৱীৰ গীতি তেখেতৰ আত্ম-নিবেদন আৰু নলিনীবালাৰ অন্তঃ কৰণেই তেখেতৰ গীতিৰ উৎস। দুয়োজনা কবিয়ে নিজ নিজ অন্তৰ্জগতকেই কাব্য ৰচনাত বাণীবদ্ধ কৰিছে। উভয় কবিৰ কাব্যত অলৌকিক প্ৰণয়ভাৱ আৰু বেদনাসিক্ত কাৰুন্যময় জীৱনৰ অভিব্যক্তিৰ প্ৰাধান্য পোৱা যায়। নলিনীবালাৰ ভাৱক্ষেত্ৰ অপেক্ষাকৃত বিস্তৃত, কিয়নো তেখেতে বীৰ-প্ৰশস্তি আৰু জাতীয়তামূলক কবিতাও ৰচনা কৰিছে। অৱশ্যে তেনেকুৱা কবিতা তেখেতৰ প্ৰমুখ চিনাকি হ'ব পৰা নাই। তেখেতৰ এনেকুৱা কবিতাতো অতীন্দ্ৰিয় অন্তৰানুভূতিয়ে ভুমুকি মাৰি থাকে।

(খ) গীতিধৰ্মিতা আৰু সংগীতাত্মকতা ঃ— উভয় গৰাকী কবিৰ কবিতাত প্ৰাণপ্ৰতিম স্বৰূপে পোৱা যায় গীতিকাব্যৰ দ্বিতীয় তত্ত্ব গীতিধৰ্মিতা। দুয়োগৰাকী কবিয়ে কণ্ঠ সংগীত আৰু বাদ্য সংগীতৰ উৎকৃষ্ট শিক্ষা পাইছিল যাৰ ফলস্বৰূপে দুয়োৰে কবিতাত গীতিধৰ্মিতাৰ পৰিপূৰ্ণ প্ৰতিফলন হোৱা দেখা যায়। মহাদেৱীৰ কাব্যত তালবদ্ধ সংগীতৰ মাত্ৰা নলিনীবালাতকৈ কম। মহাদেৱীয়ে মুখ্যতঃ অৰ্থানুসাৰী কিংবা ভাৱানুগত শব্দ-সংগীতৰ প্ৰয়োগ কৰিছে যদিও নলিনীবালাৰ কাব্যতো ইয়াৰ অভাৱ নাই। মহাদেৱী ভাৰ্মাৰ ওপৰত লোক গীতৰ সুৰৰ প্ৰভাৱ তুলনাত্মক ৰূপে বেছি, কিন্তু নলিনীবালাৰ ওপৰত বৰগীতৰ বিশিষ্ট প্ৰভাৱ পোৱা যায়। সংগীতৰ বৈবিধ্য নলিনীবালাৰ গীতিত মহাদেৱী ভাৰ্মাতকৈ অধিক দেখা যায়।

(গ) ভাৱ-ঐক্য আৰু ভাবান্বিতি — একেটি ভাৱৰ পৰিপূৰ্ণতা আৰু ঐক্য গীতি কাব্যৰ তন্ময়তাৰ্থে অতিকৈ আকাংখিত। ভাৱৰ ঐক্য আৰু ভাবান্বিতিৰ দ্বাৰাই ভাৱপ্ৰৱনতাৰ সহজ উদ্ৰেক সম্ভৱপৰ হয় আৰু ইয়েই সহৃদয়জনক ৰসময় কৰিব পাৰে। এইটি নিকষত দুয়োগৰাকী কবিৰ গীতি কাব্যই তীব্ৰ ভাবপ্ৰৱনতা আৰু ভাবোদ্ৰেকৰ জৰিয়তে পাঠক-শ্ৰোতাবৃন্দক ৰসবিভোৰ কৰোঁতে সক্ষম হয় যদিও নলিনীবালাৰ গীতি অপেক্ষাকৃত ভাবে বেছি সাফল্য মণ্ডিত বুলি কব পাৰি।

(ঘ) সংক্ষিপ্ততা অথবা লাঘৱ — দুয়ো গৰাকী কবিৰ কবিতাত প্ৰকাশৰ সংক্ষিপ্ততাই প্ৰাণ সঞ্চাৰ কৰিলেও এটি-দুটি কবিতাত অসংক্ষিপ্ততাই উপলব্ধি নোহোৱাকৈ নাথাকে। মূঠতে দুয়োৰে গীতিকলাৰ সৌন্দৰ্য্য সংক্ষিপ্ততাত। গীতিত সংক্ষিপ্ততাৰ নিৰ্বহনাৰ্থে

ৰূপক, চিত্ৰ, বিম্ব আৰু প্ৰতীক আদিৰ আশ্ৰয় গ্ৰহণ কৰাৰ ঐতিহ্যৰ পৰিপালন দুয়োগৰাকী কবিয়ে সফল-ভাৱে কৰিব পাৰিছে। নলিনীবালাৰ কাব্য গ্ৰন্থদ্বয়— "অলকানন্দা" আৰু "জাগৃতি"ৰ গীতবোৰ আটাইতকৈ বেছি সংক্ষিপ্ততা সম্বলিত বুলি ক'ব পৰা যায়।

(ঙ) ভাৱময়তা আৰু ভাবাতিৰেকতা :— দুয়োগৰাকী কবিৰ গীতিত ভাৱময়তা, ভাবাতিৰেকতা এবম ৰাগাত্মকতাৰ অবিৰল প্ৰবাহ পৰিলক্ষিত হয়। দুয়োৰ কাব্যত ভগবানৰ বিৰহ আৰু বিষাদ বেদনাৰ প্ৰাধান্যৰ কাৰণে ৰাগাত্মক ভাৱানুভূতিৰ অৰ্পন অনায়াসে সুলভ হৈ পৰিছে। কবি দুগৰাকীৰ গীত তেখেত সকলৰ হৃদয় মন্থনৰ পৰা ওলোৱা বেদনাৰ অৰ্ঘ্য। সেয়েহে তাত এটি ধাৰাবাহিক মৰ্মভেদী সুৰ বিদ্যমান। নলিনীবালাৰ কাব্যত দেশপ্ৰেম আৰু জাতীয়তাৰ বিশেষ অতিৰিক্ত সুৰও দৃষ্টিগত হয়। কিন্তু এই সুৰৰ মহাদেৱীৰ কাব্যত সৰ্বথা অভাৱ। মহাদেৱী ভাৰ্মাৰ গীতিত জয়শংকৰ প্ৰসাদৰ সৰল ভাবুকতা আৰু সুৰ্যকান্ত ত্ৰিপাঠী নিৰালাৰ দৰে উদ্দাম বেগৰ অভাৱ যদিও, তাত ভাৱৰ অপূৰ্ব সন্তুলিত আঘাত পোৱা যায়।

(চ) সন্তুলিত শব্দ সংযোজন আৰু প্ৰবাহপূৰ্ণ শৈলী :— গীতি কাব্যৰ এই দুটি তত্বৰ সংযোজন অনেকবিধ সৰলিয়েছি কৰা হয়। দুয়োগৰাকী কবিয়েই শব্দ সংযোজনত বিশেষ সতৰ্ক। দুয়োৰে হাতত শব্দৰ কৌশলপূৰ্ণ ব্যৱহাৰে শব্দক সংগীতলৈ ৰূপান্তৰ কৰিছে। এই সাংগীতিক সৌন্দৰ্য্যক মহা সৌন্দৰ্য্যত পৰিণত কৰিছে। কবিতাত ব্যৱহৃত চিত্ৰ, ৰূপক আদিৰ প্ৰয়োগে। হিন্দীত গীতিকাব্যৰ ক্ষেত্ৰত মহাদেৱী ভাৰ্মা সৰ্ব্বাধিক সফল কবি হিচাপে পৰিগণিত, কিন্তু অসমীয়া কাব্যত নলিনীবালাৰ গীতি শোভন-শিল্পৰ অন্যতম উদাহৰণ নহয়। হিন্দী কাকত মহাদেৱীৰ গীতি শোভন-শিল্পৰ উৎকৃষ্টতম চানেকি আৰু ই ইংৰাজী কাব্যত টেনীছনৰ গীতিৰহে, সমকক্ষ। তথাপি, মহাদেৱীৰ গীতিভাৱ গীত নহয়, কলাগীত বুলি খ্যাত, কিয়নো তাত কল্পনা আৰু বুদ্ধি-তত্বক মাধুৰ্য্যপূৰ্ণ গেয়তালৈ উন্নীত কৰাৰ চেষ্টা কৰা হৈছে। এই কালৰপৰা সমীক্ষা কৰিলে নলিনীবালাৰ গীত শুদ্ধ ভাবগীত বুলি ক'ব পাৰি।

গীতিৰ প্ৰকাৰ :—গীতিৰ প্ৰকাৰৰ দৃষ্টিভংগীৰে চালে দুয়োগৰাকী কবিৰ কবিতাত ন প্ৰকাৰৰ গীতি একে সমানে পোৱা যায়। দুয়োজনা কবিয়ে চিন্তন গীত, ৰূপকগীত, প্ৰতীকগীত, সংবোধগীত (নিৱেদন গীত), প্ৰকৃতিগীত স্মৃতি আৰু স্বপ্নগীত, বিষাদ অথবা বেদনা-গীত, প্ৰসাধন গীত আৰু আত্মকথাত্মক গীতৰ সৃষ্টি কৰিছে। মহাদেৱীৰ ৰূপকগীত, প্ৰতীকগীত আৰু প্ৰকৃতি গীত নলিনীবালাতকৈ অধিক মনোজ্ঞ, ৰমনীক আৰু নন্দতিকবোধৰ কাৰণে ৰসাপ্লুত হৈ পৰিছে। দুয়োগৰাকীৰ প্ৰকৃতি গীত বিশুদ্ধ প্ৰকৃতি গীত হবপৰা নাই (কিয়নো তাত আশ্ৰয়ৰ মনোদশা বিলাক ভুমুকি মাৰি থাকে।) নলিনীবালাৰ প্ৰকৃতি গীতৰ সংখ্যা অতি নূন। উভয় কবিৰ বিষাদগীত নিৰাশাজনক নহৈ আনন্দ পৰ্যবসায়ী হৈ উঠিছে। নলিনীবালাৰ কাব্যত প্ৰসাধন বাসক-সজ্জাজগোয়া নাই আৰু বিজ্ঞিতিমূলকো নাই। বৰঞ্চ তাক অনায়াসে আৰু নিৰভিপ্ৰায় প্ৰসাধন বুলিহে ক'ব পাৰি। মহাদেৱীৰ কাব্যত আনুষ্ঠানিক শোকগীতৰ অভাৱ, কিন্তু নলিনীবালাই বহুতখিনি এনে শোকগীত ৰচনা কৰিছে। তদুপৰি, নলিনীবালাই বীৰ প্ৰশস্তি-মুলক গীত জাতীয়তা মূলক গীত সৃষ্টিও কৰিছে, কিন্তু মহাদেৱীৰ কাব্যত এনে গীতৰ সৰ্বথা অভাৱ আছে। তাৎপৰ্য এইয়ে যে নলিনীবালাই বাৰ প্ৰকাৰৰ গীত ৰচনা কৰিছে, কিন্তু মহাদেৱীয়ে মাত্ৰ ন প্ৰকাৰৰ।

(২) কাব্য-শিল্প :— দুয়োগৰাকী কবিৰ কাব্যশিল্পত অৱয়ৱী অথবা আংগিক চিন্তাধাৰাৰ অনুসৰণ পোৱা যায়। এই পদ্ধতি অনুসাৰে কাব্য এটি অনন্ত যাত্ৰা আৰু কাব্য সৌন্দৰ্য্য কাব্যৰ পৰিপূৰ্ণতাতেই নিহিত, খণ্ডত নহয়। কথ্য আৰু শিল্পৰ একতাৰ কাৰনে দুয়ো কবিৰ কাব্য সহজ, স্বাভাৱিক আৰু মনোবিজ্ঞান সম্মত হ'ব পাৰিছে। যিহেতু দুয়োগৰাকী সজাগ শিল্পী, দুয়োৰে কাব্যত গহণ মনোযোগ আৰু পৰিশ্ৰমেৰে সুসজ্জ। সচাঁকৈয়ে, দুয়োৰ কাব্যভাষাই মাত্ৰ সম্প্ৰেষণীয়তাকেই সংবহন কৰা নাই, বৰঞ্চ মানৱীয় অন্তৰ্জগতৰ তদাত্মক আৰু ধ্বন্যাত্মক অনুভূতি বোৰকো সুকলমে অভিব্যক্ত কৰাত সক্ষম হৈছে।

(ক) বিম্ব-বিধান :— উভয় কবিৰ কাব্য-ভাষা

মূৰ্ত্যাত্মক, যাৰ উত্তম নিদৰ্শন তেওঁৰ বিংব-বিধানত দেখা যায়। দুয়োগৰাকীৰ কাব্য-বিংব বিশেষ প্ৰাণবন্তা আৰু অনুভূতিৰ পৰা সংবলিত। তুলনীয় কবি দুগৰাকীৰ বিংব বা শব্দ-চিত্ৰই তেওঁলোকৰ সূক্ষ্ম আৰু অমূৰ্ত্ত ভাৱৰাশিক মনোজ্ঞ কৰি তুলিছে, লগতে ভাৱৰাশিক সমৃদ্ধ আৰু তীব্ৰতৰ কৰাত সহায় কৰিছে। দুয়োৰে কাব্যত বেদনা-জন্য-অন্তৰ্মুখিতা প্ৰাধান্য হোৱা কাৰণে, দুয়োৰে কাব্য বিংব সহজ,মনোজ্ঞ আৰু সহৃদয় গ্ৰাহী হৈ পৰিছে। তেওঁলোকৰ বহুলাংশ কাব্য-বিংব নিজৰ প্ৰকৃতি আৰু অভিজ্ঞাত সৌন্দৰ্য্য-চেতনাক নিজৰ-অভিব্যক্তিত কৰিছে। মহাদেৱী ভাৰ্মাৰ বিংবত কেতিয়াবা জটিলতা আৰু দুৰূহতা পোৱা যায়, কিন্তু তেনেকুৱা জটিলতা আৰু দুৰূহতা নলিনীবালাৰ বিংবত নাই-তেওঁৰ বিংব সততে সহজ আৰু ঋজু। আন এটা মন কৰিবলগীয়া প্ৰাৰ্থক্য হ'ল মহাদেৱীৰ ভাৱ-বিংব অবসাদমূলক, কিন্তু নলিনী-বালাৰ এই প্ৰকাৰৰ বিংবত অৱসাদৰ লগতে উল্লাসৰ জিলিকনিও পোৱা যায়।

